# Centre for Studies in Social Sciences, Calcutta

**Documentation of rare Assamese books in collaboration with Assam Sahitya Sabha, Jorhat and the Ford Foundation: microfilmed and digitised in October 2006**

| | |
|---|---|
| Record No: 2006/165 | Language of work: Assamese |
| Author (s) / Editor (s): Lakshinath Bezbaruah | |
| Title: বাঁহী | |
| Transliterated Title: Baãhai | |
| Translated Title: | |
| Place of Publication: Kolkota (Calcutta) | Publisher: Editor. |
| Year: 1913, 14, 15, 16, 17, | Edition: |
| Size: 21 cms | Genre: Magazine |
| Volumes: IV, V, VI, VII, VIII | Condition of the original: Brittle. |
| Remarks: 1st 2 volumes reprinted in the year 1999. | |
| Holding institute: Assam Sahitya Sabha, Jorhat | Microfilmed and digitised by: Centre for Studies in Social Sciences, Calcutta, 2006. |

| | | |
|---|---|---|
| Microfilm Roll No: | From gate: | To gate: |

৫/২ প্ৰথম বছৰ দ্বিতীয়, সংখ্যা

# সূচী


বিষয় — পিঠি

সম্পাদকৰ চ'ৰা ........................ ৫৭

সদিয়া ৬৩

আসামত বৈষ্ণৱ ধৰ্ম্ম ৬৭

অসমৰ প্ৰকাশ ৭৭

বিজুলী ৮৪

সৌন্দৰ্য্য আৰু বিনাশ ৯০

বসুন্ধৰা ৯৫

প্ৰথম চিঠি ৯৬

গীত ১০৩

মহাত্মা চেমুয়েল হানিমান ১০৪

অসমীয়া ন-লিখাৰুৰ মহাবিদ্যা ১০৭

চিঠিৰ সন্দেহ ১০৮

বুৰঞ্জীৰ বিবিধ বাতৰি ১০৯

দুৰাকাঙ্ক্ষা ১১২

# সম্পাদকৰ চৰা।

গল বাৰৰ সম্পাদকৰ চৰাৰপৰা আমি এইকেইটা কথা পালোঁ ;—(১) সৃষ্টিৰ আগতে ত্ৰিগুণাতীত পৰম ব্ৰহ্ম। (২) তেওঁৰ সৃষ্টিৰ ইচ্ছা হলতে, তেওঁ বিভক্ত হৈ দুভাগ হল,—পুৰুষ আৰু প্ৰকৃতি। (৩) পুৰুষে প্ৰকৃতিক ঈক্ষণ কৰিলত, মহৎতত্ত্ব অহঙ্কাৰকে আদি কৰি চতুৰ্ব্বিংশতি তত্ত্ব জন্মিল। (৪) ঈক্ষণেই স্পন্দন, যাক ইংৰাজীতে vibration বোলে। স্পন্দন হলেহে জড় পদাৰ্থ ইন্দ্ৰিয়গোচৰ হয়। এই ঈক্ষণ বা স্পন্দন বা vibration-এই হিন্দু দৰ্শনৰ মায়া। মায়াৰ দ্বাৰাই চৈতন্য কৃষ্ণই জগৎ সৃষ্টি বা ৰচনা কৰিছে, যি জগতক আমি মায়ামুগ্ধ হৈ সৎ real বুলি ভাবোঁ।

"অসন্ত জগতখান　　　তোমাত উদ্ভৱ ভৈল
সন্ত হেন প্ৰকাশে সদায়।"—কীৰ্ত্তন।
"হে কৃষ্ণ তুমি মাত্ৰ　　　চৈতন্য স্বৰূপ নিত্য
সত্য শুদ্ধ জ্ঞান অখণ্ডিত।
আৰৰ যতেক ইটো　　　তোমাৰ বিনোদ ৰূপ।
চৰাচৰ মায়ায়ে কল্পিত" ॥—ঘোষা।

এই স্পন্দন বা মায়াও জড়, অসৎ ; এক পৰমব্ৰহ্ম কৃষ্ণহে চৈতন্য সৎ।

"মায়াদয়ো জড়াঃ সৰ্ব্বে কৃষ্ণস্তু শুদ্ধ চিদ্ঘনঃ।
জড়ং ভজন্তিয়ং ত্যক্বা অহোমূঢ়া ব্ৰজন্ত্যধঃ" ॥
"মায়া আদি কৰি যত,　　　সমস্ত জগত জড়
কৃষ্ণসে চৈতন্য আত্মা শুদ্ধ।
চৈতন্য কৃষ্ণক এৰি　　　জড়ক ভজিয়া মৰে
কিনো লোক অধম মুগুধ" ॥—ঘোষা

(৫) চিন্তা (Thought) জড় ; স্পন্দনতে তাৰ উৎপত্তি আৰু স্পন্দনতে তাৰ গতি। এইবাবে "Thoughts are things." (৬) জড় বস্তুৰ স্বভাৱ হৈছে সমধৰ্ম্মীয়ে সমধৰ্ম্মীক আকৰ্ষণ (attract) কৰা, আৰু বিষমধৰ্ম্মীক দূৰলৈ

খেদোৱা (repel) কৰা। জড় পৰমাণুৱে একেগুণীয়া পৰমাণুক নিজৰ ফাললৈ টানি আনি নিজৰ পৰিপুষ্টি সাধন কৰে, এইটো আমি সদায় আমাৰ চকুৰ আগতে দেখি আছোঁ।

• • •

এইদেখি আমি আমাৰ মানসিক উন্নতি কৰিবলৈ কি কৰা উচিত? উত্তৰত আমি পাওঁ,—সৎ আৰু শুধ চিন্তা কৰি নিজৰ মন উন্নত কৰা। এনে কৰিলে দুটা উপায়েৰে আমাৰ মনৰ পৰিপুষ্ট সাধিত হব; প্রথম, সৎ লোকৰ চিন্তাপ্রসূত সৎ চিন্তাবোৰ আমাৰ সমধৰ্ম্মী চিন্তাই নিজৰ ফালে টানি আনি নিজক সবল, পুষ্ট আৰু উন্নত কৰিব; আৰু নিজৰ auto-suggestion অৰ্থাৎ আত্মসূচনাতো সবল হৈ সি বৃদ্ধি প্রাপ্ত হব।

• • •

বস্তু যেনেকৈ উন্নত হয়, তেনেকৈ তাৰ ওপৰলৈ উধোৱা গতিত প্রতিবন্ধক পৰিলে বাধ্য হৈ সি তললৈ যায়। কৰ্ম্মফলত পুনৰ্জ্জন্ম আৰু শুধ জন্মৰপৰা স্খলিত হৈ অধম যোনি পোৱাৰ মানেই এই। এই বিপদৰপৰা মানুহক ৰক্ষা কৰিবৰ নিমিত্তে সেইদেখি মহাপুৰুষ শঙ্কৰ মাধৱে বাৰে বাৰে দঢ়াই দঢ়াই সাৱধান কৰিছে,—

"মানবী জনম পাই হৰিক নভজিলা।
অবশ্যে হৈবাহা ভাই তৃণ তৰু শিলা" ॥—ঘোষা।

"চিন্তামণি জন্ম হেৰা হাতত্তে হেৰায়"।—শঙ্কৰ। এইবাৰ তুমি মনুষ্য জনম পাই উদ্গতি কৰিবলৈ চেষ্টা নকৰি, অসৎ চিন্তা অসৎ কাৰ্য্যৰ শিলৰ বোজাৰে নিজক তললৈ ঠেলিলে, আকৌ তলথাপৰ নানা যোনিলৈ গৈ, আকৌ যুগ যুগান্তৰ নিকাৰ ভুঞ্জি পৰিশ্ৰম কৰিহে মনুষ্য জনম লাভ কৰিব পাৰিবা। বস্তু ওপৰলৈ উঠি তাত ৰব নোৱাৰি বা আৰু ওপৰলৈ উঠিব নোৱাৰিলে সি নিজৰ ভৰতে তললৈ যায়, এইটো প্রাকৃতিক নিয়ম।

• • •

কু চিন্তাই সেইদেখি আমাক তললৈ নিয়ে, সৎ চিন্তাই ওপৰলৈ তোলে। সেইবাবে যাতে আমাৰ মনত কুচিন্তাৰ খেতি নকৰোঁ, অথবা মনক ফৰিঙতিকৈ পেলাই থৈ তাত কুচিন্তাৰ হাবি বন গজিবলৈ নিদিওঁ, তাৰ নিমিত্তে



সদায় যত্নবান থকা উচিত। চিন্তা দুবিধ, এবিধ Positive অৰ্থাৎ সৎ, আনবিধ Negative অৰ্থাৎ অসৎ। সৎ চিন্তাই সুবাসনা, আৰু অসৎ চিন্তাই দুৰ্ব্বাসনা আনে। সুবাসনাই উন্নতি, দুৰ্ব্বাসনাই অধোগতি দিয়ে। এই বাবেহে মাধৱদেৱে "সন্তৰ সঙ্গত সুবাসনা" হয়, আৰু "সন্তৰ মনকোপত দুৰ্ব্বাসনা" হয় বুলি কৈছে। প্রেম, প্রীতি, প্রণয়, পৰোপকাৰ চিন্তা, জীৱৰ প্রতি দয়া, ঈশ্বৰ সেৱা ভজনা আদি Positive thoughts; ভয়, ক্রোধ, হিংসা, দ্বেষ, পৰনিন্দা, পাশৱ প্রবৃত্তি চৰিতাৰ্থৰ চিন্তা আদি কুচিন্তাবোৰ Nagative thoughts. তুমি সুচিন্তা কৰিলে জগতৰ যত সুচিন্তা তোমাৰ ফালে বলি আহি তোমাৰ চিন্তাৰে লগ লাগি তাক শকত-আৱত কৰিব; কুচিন্তা কৰিলে সেইদৰে জগতৰ যত কুচিন্তা তোমাৰ ফালে বলি আহি তোমাৰ চিন্তাত যোগ দি তোমাক কুচিন্তাৰ ভঁৰাল কৰি পেলাব; ফলত তোমাৰ ৰসাতল গমন।

• • •

ভয় negative thought, কুচিন্তা। ই মানুহৰ মনুষ্যত্ব কাঢ়ি নিয়ে, আৰু সৰ্ব্বনাশ কৰে। ভয় এক ৰকম Confident expectation of evil to come, অমঙ্গল আহিব বুলি বিশ্বাস কৰি থকা আশঙ্কা। কিবা এটা অমঙ্গল কিজানি আহিব বুলি তুমি ভাবি থাকিলেই সেই অমঙ্গল আহত হৈ আহিব; কাৰণ তালৈ তোমাৰ অন্তৰত ঠাই উলিওৱা হল, আৰু তোমাৰ সেই আশঙ্কাৰ চিন্তাই তাক টানি আনিলে। তুমি তাৰ এগুণ হে আহিব বুলি ভাবিছিলা, কিন্তু সি তাৰ দ্বাক নগৰীয়া লৈ ওলালহি; ফলত ভয়েই তোমাক ভহিলং কৰিলে। যুদ্ধ কৰিবলৈ যোৱা সৈন্যই যদি সিহঁতৰ সেনাপতি বা ৰজা ৰণত পৰি যোৱা দেখে তেন্তে সিহঁত যিমানেই ভাল ৰণুৱা হওক, ভয়ত demoralized হৈ সাহ হেৰুৱাই ভাগি-ছিগি হাৰি পলায়। অথচ নেপোলিয়ন বা জুলিয়চ চিজৰৰ নিচিনা সেনাপতিয়ে সেনাৰ বুকুত সাহ আৰু Confidence জয়ৰ বিশ্বাস জন্মোৱাৰ নিমিত্তে তেওঁলোকৰ সেনাপতিত্বত তৃতীয় শ্ৰেণীৰ ৰণুৱাইও প্রথম শ্ৰেণীৰ ৰণুৱাক জিকি যুদ্ধত জয়লাভ কৰিবৰ সমৰ্থবান হৈছিল। মিছা ভয়তে প্রথমতে মানুহ unnerve হৈ জয় পৰি এধামৰা হয়। সেইদেখি ভয় মানুহৰ প্রধান শত্রু; এই শত্রু জিনিব

পাৰিলে আৰু মানুহ অজেয় অদম্য হয়। অথচ ভয় বুলি বাস্তৱ পদাৰ্থ একো এটা নাই ; সি মিছাতে মনে সাজি লোৱা শত্ৰু। এনে মিছা শত্ৰুৰ হাতত অনাহকতে পৰি দুখ পোৱাৰ সকাম কি ? সেইদেখি এজন চিন্তাশীল লেখকে কৈছিল "There is nothing to be feared but fear." অৰ্থাৎ ভয়ক হে ভয় কৰিব লগীয়া, তাৰ বাহিৰে ভয় কৰিব লগীয়া আন একো নাই।

• • ৬

ভয়েই মানুহৰ প্ৰথম ঘাই শত্ৰু। যদি আধ্যাত্মিক মানসিক আৰু শাৰিৰিক স্বাধীনতা লাভ কৰিব খুজিছা, তেন্তে এই শত্ৰুক জয় কৰাঁ। বাস্তবিকতে কিন্তু এই শত্ৰু ফুটুকাৰ ফেণ, মকৰাৰ জাল। তুমি সাহেৰে তাৰ আগত থিয় হৈ তাৰ মুখলৈ চুকু পোনাই চাই থকবামুকুটি টোৰাঁ চোন, দেখিবা সি খিতাতে নাইকিয়া হব। ভয় সকলো উন্নতিৰ প্ৰতিবন্ধক ; আৰু সিয়েই মানুহক কৃতকাৰ্য্য হব নিদিয়ে। এই মায়াপী ভূতে মানুহক, জাতিক (nation) দুখ, শোক, সন্তাপ সকলো আনি দিয়ে। তোমাৰ মনত ভয়-ভূত উপজিলেই, সংসাৰত কৌটীকালৰপৰা চৰি ফুৰা আৰু ন-কৈ দিনৌ আন মানুহৰ মনত উপজি থকা ভয়-ভূতৰ পোৱালি জাকে জাকে সি ততালিকে মাতি আনি তোমাৰ মনত সুমাই দি তোমাক সাং কৰিব ; তুমি কৰিবলৈ যোৱা কাম কৰিব নোৱাৰিবা, মুঠতে তুমি ইহজনমলৈ তাৰ হাতত গলা আৰু। তোমাৰ জীৱনত তোমাৰ ভাল হবৰ কত সুবিধা ওলায় ; তুমি সেই সুবিধাৰ সুবিধা লব নোৱাৰা কিয় ? কাৰণ ভয়-ভূতৰ মিছা ভয়ত তুমি "lost your nerve" অৰ্থাৎ সাহ স্থৈৰ্য্য হেৰুৱাই আপ বাঢ়িব নোৱাৰা হোৱা, ভয়ৰ কীটাণুৱে তোমাৰ ভিতৰত সোমাই তোমাক কেকোৰা-খোলা দিলে, তুমি অদম অকৰ্ম্মণ্য হৈ পৰিলা।

• • •

বিবোৰ অসজ চিন্তাই মানুহক অকৰ্ম্মণ্য কৰি ৰসাতললৈ নিয়ে সেই জাকৰে জননী হৈছে ভয়। হিংসা, খিয়াল, ঘিণ, দ্বেষ, অসূয়া, সঙ্কীৰ্ণতা, পৰসুখ অসহিষ্ণুতা, পৰনিন্দা ক্ৰোধ আদি গোটেই জাক negative thoughts-অৰ মূলত যে ভয় এই কথা ফঁহিয়াই চালেই ওলায়। দুখৰ কথা যে এনে ভয়ৰ চিন্তাক আমি আইৰ পিয়াহেৰে সৈতে শুৱিৰেপৰা পান কৰি আহিছোঁ। কেচুৱা লৰাক নিচুকাবলৈ ভয় দেখুৱা হয় ; ডাঙৰ লৰাক ভয়েৰে শিকনি দিয়া হয়, শাসন কৰা হয় ; তাৰ ফলত সেই লৰাই ডাঙৰ হৈ মানুহ হৈ, ৰাতিটোকে হাতীটো, ছাঁটোকে বাঘটো, আৰু অচিনাকীক যম যেন দেখে ; আৰু সেই বাবে যাৱজ্জীৱন তাৰ মুখৰ লাজ ( Shyness ) মিছা ভয় মুণ্ডচে, সাহ, পিত্ত, উছাহ তাৰ মনৰপৰা আঁতৰে। "ভয় কাক কয় মই দেখা নাই" এইষাৰ কথা ট্ৰেফেলগাৰৰ ইংৰাজ বীৰ নেল্‌চনৰ লৰা কালৰ কথা। ভয়ক দেখা পোৱাহেঁতেন নেলচন ট্ৰেফেল্‌গাৰৰ নেল্‌চন হব নোৱাৰিলেহেঁতেন। এইটো নিশ্চয়, নিশ্চয়, ভয়াতুৰ মানুহে কোনো কালে কোনো ডাঙৰ কাম কৰিব পৰা নাই, আৰু নোৱাৰেও।

• • •

নিজক জানিলে, অৰ্থাৎ আমাৰ হৃদয়ত পৰমেশ্বৰ আছে, আমি পৰমেশ্বতে মজি আছোঁ, ব্যাপক বিষ্ণু সকলোতে ব্যাপি আছে, আমিও তেওঁৰ অভয় পদত মূৰ দি আছোঁ, "ঈশ স্বৰূপে হৰি সব ঘটে বৈঠই, যৈচে গগন বিয়াপি"—( শঙ্কৰদেৱ। ) এই কথা প্ৰকৃতৰূপে অনুভৱ কৰিব পাৰিলে, আৰু আমি যে ঈশ্বৰৰ অংশ সন্তান, দাস, সেৱক, এই ভাব মনত দৃঢ় কৰি ধৰিব পাৰিলে আমাক কোনে মাৰে, কোনে ভয় দেখুৱায় ? বাপেক দৈত্যেন্দ্ৰই প্ৰহ্লাদক নানা ভয় দেখুৱাই বিনাশ কৰিবলৈ চেষ্টা কৰাতো প্ৰহ্লাদে নিৰ্ভয় হৈ ঈশ্বৰক চিন্তি বহি থকা দেখি দৈত্যেন্দ্ৰইহে ভয় খাইছিল,—

"বিষ্ণুৰ চৰণ, চিন্তিয়া প্ৰহ্লাদে আছন্ত নিৰ্ভয় ভাৱে।
দেখি দৈত্যপতি মনত চিন্তয়, স্বস্তি নাই তাৰ গাৱে॥
আছোক মৰিব, ভয় নোপজয়, নেৰয় আমাৰ পাশ।
ইহাৰ বধেসে জানিলোঁ অৱশ্যে মোহোৰ হৈব বিনাশ॥"

—শঙ্কৰদেৱ।

আন কি নৃসিংহৰ ভয়ঙ্কৰ মূৰ্ত্তি দেখি "ব্ৰহ্মা আদি দেৱগণে ডৰে মৰে" লক্ষ্মীয়ে "নৃসিংহৰ মহা ভয়ঙ্কৰ ৰূপ দেখি। ডৰে উলটিল দেবী মুদি দুয়ো আখি॥" এনে নৃসিংহকো "সমস্ত ভূততে নাৰায়ণ" দেখোঁতা, "ব্যাপক বিষ্ণু

প্ৰভু চক্ৰপাণিক" স্ফটিকৰ স্তম্ভতো দেখোতা ভক্ত প্ৰহ্লাদে নৃসিংহৰ ঘোৰ ৰূপ দেখি ভয় নাখাই কৈছিল—

"ভয়ঙ্কৰ কোপ দেখিয়া তোমাৰ
প্ৰভু মোৰ ভয় নাই।"

• • •

মই যেতিয়া আছোঁ, অৰ্থাৎ মই ঈশ্বৰৰ অংশ যেতিয়া আছোঁ, মোৰ হৃদয়ত আত্মা আছে, একমেবাদ্বিতীয়ং পৰমাত্মা যেতিয়া অধঃ উৰ্দ্ধ সকলোতে ব্যাপি আছে, ভয় থাকিবৰ ঠাই কত ? ঈশ্বৰবিশ্বাসী ভক্তই আপোনাতে নিৰ্ভৰ কৰে, আৰু আপোনাক সকলো কাৰ্য্য আৰু বিষয় সম্পত্তিৰে সৈতে পৰমেশ্বৰৰ চৰণত সমৰ্পণ কৰি সিদ্ধি লাভ কৰে, মৃত্যু, ভয়, কষ্ট, সুখ, দুখ সকলোকে তৃণ সম বিবেচনা কৰি, কৰ্ত্তব্য কৰি জীৱনত সফলতা লাভ কৰে। এতেকে হেৰা প্ৰিয় পাঠক, তুমি দৃঢ় কৰি কোৱাঁ আৰু নিজক বহুৱাঁ—অহং ( I am ) ; তুমি জীৱনত সফলতা লাভ কৰিবা। সংসাৰত চলি সফলতা লাভ কৰিবৰ নিমিত্তে অহঙ্কাৰ আৱশ্যকীয় আৰু অহংজ্ঞান মানুহৰ সহজে নাযায়ও। সংসাৰত্যাগী সকলোকে ব্ৰহ্মময় দেখোতা ব্ৰহ্মবাদী সকলহে ভাবপৰা মুক্ত হব পাৰে। সংসাৰত থাকি ঈশ্বৰৰ প্ৰিয়কাৰ্য্য সাধন কৰোতাৰ অহঙ্কাৰ বৰং আৱশ্যকীয়। কিন্তু অহঙ্কাৰ মানে অহম্মম নহয়। আমাৰ আজিকালি চলিত ভাষাত অহঙ্কাৰ অহম্মম একে হৈ পৰিছে। আমি অহঙ্কাৰক অহম্মম ভাৱত ব্যৱহাৰ কৰা নাই। অহং ভাৱ গুচোৱা টান দেখি অহং থাকিলেও নামধৰ্ম্মাবলম্বীক ঈশ্বৰ লাভৰপৰা বঞ্চিত হব নেলাগে বুলি আশা দি ঘোষাই কৈছে—"অহঙ্কাৰ থাকন্তেও সাক্ষাতে কৃষ্ণক পাৱে শ্ৰৱণ কীৰ্ত্তন ধৰ্ম্ম যাৰ"। তুমি তোমাৰ জীৱনৰ motto মন্ত্ৰ কৰি লোৱা—"I can and I will" "মই কৰিব পাৰোঁ, আৰু কৰিম।" কিন্তু পাঠক, তুমি নাপাহৰিবা যে তুমি বৈষ্ণৱ ; সেইদেখি তোমাৰ অহঙক সেই তেওঁৰ ( কাৰ কথা কৈছোঁ বুজিছা নে ? ঈশ্বৰৰ ) দাস কৰি থবা, আন কাৰো কাৰো নহয় ;

শুন হেৰ অহঙ্কাৰ, নিচিন্ত আপোন মাৰ,
মিছা অহম্মমক ত্যজিয়ো।



পৰম ঈশ্বৰ কৃষ্ণ হুয়োক তাহান দাস
সাধুসঙ্গে কৃষ্ণক ভজিয়ো॥"—ঘোষা।

আৰু "মই কৰিব পাৰোঁ আৰু কৰিমক" তেওঁৰ অৰ্থাৎ তোমাৰ গৰাকিৰ হুকুমতহে বুলি জানিবা। মাধৱদেৱৰ ঘোষাৰ এইষাৰ তোমাৰ মনত আছে নে ?

"ধৰ্ম্মক জানোহো মই তাহাত প্ৰবৃত্তি নাই,
অধৰ্ম্মতো নিবৃত্তি নহয়।
হৃদিস্থিত হয়া তুমি যেনে কৰোৱাহা স্বামী,
তাকে মাত্ৰ কৰো কৃপাময়॥"

---

# সদিয়া।*

( ১ )

জিৰ জিৰ গতি বইছে কুণ্ডিল
নিজম নিতাল ভাৱে।
ভীষ্মক নগৰ পাৰত ইয়াৰ
ৰুক্মিণী হৰণো তাতে॥

( ২ )

পূবৰ জেউতি পৰ্ব্বতৰ শাৰী
শোভে বিতোপন সাজে।
হিমালয় গিৰি নাৰে গাৰে মিলি
আছে ছাতি বৰফেৰে॥

( ৩ )

পূবাৰ কোমল ওলোৱা বেলিৰ
ৰঙা জিলিঙনি লাগি।

* ১৯১৪ চনৰ ২০ জুন তাৰিখে "টাইমচ অৱ আসাম" কাকতত ওলোৱা 'সদিয়া' নামৰ প্ৰবন্ধ চোৱা।

ধৰে অপৰূপ  পৰ্ব্বতৰ শোভা
প্ৰাণ মন বিমোহি ॥

( ৪ )

ৰিণি ৰিণি দেখা  নামনি সদিয়া
প্ৰকৃতি কানন ভূমি।
পৰেহি তাতও  তাৰ তিৰ বিৰ
চকু জলমল কৰি ॥

( ৫ )

আহিছে উত্তৰে  পুৰণি ‘ডিবাং’
‘বেৰেজীয়া’ পৰ্ব্বতেদি।
অসংখ্য শিলৰ  বাগৰি ওপৰে
বৈছে দে’ দোপাল কৰি ॥

( ৬ )

গুঞ্জৰি গুমৰি  কৰবাটৈল বুলি
ধৰি আচৰিত শোভা।
গইছে কোবেৰে  ধঙৰ বেগত
লগাই তোমাক তধা ॥

( ৭ )

দুখোজ বাটত  সেই ‘ডিক্ৰাং’ নই
সীমা সৌমাৰ পিঠৰ।
আছে তাত আজি(ও)  কৰি নিজ খেলা
ভাবি কথা দুৰ্গতিৰ ॥

( ৮ )

চউৱাই গাতে  ব্ৰহ্মপুত্ৰ নই
গৈছে নিজ লক্ষ কৰি।
কৰ্ত্তব্য সুৱঁৰি  অনন্ত সিন্ধুত
মিল-সুখ আশা বান্ধি ॥



( ৯ )

কত দিন তাত  চাই তাৰ শোভা
আপোন পাহৰা হই।
ভাবিছিলোঁ। অই  মহা নদী এই
কত জনৰ আশ্ৰয় ঠাই ॥

( ১০ )

কত জন আহি  কোনোবা বিৰহী
জিৰণি আশ্ৰয় আশ।
লভিবলৈ শান্তি  মনৰ পোৰণি
বহেহি ইয়াৰ কাষ ॥

( ১১ )

আবেলি বেলিকা  মলয়া বলিছে
ৰিৰ ৰিৰ লাগে গাত।
দেহত যন্ত্ৰণা  অসুখীয়া প্ৰাণ
পাইছে জুৰণি তাত ॥

( ১২ )

প্ৰণয় বঞ্চিত  ইফালে সিজন
অতি দুৰ্ভগীয়া ডেকা।
আছে বহি মনে  আমন জিমন
ভাবি সংসাৰেই মিছা ॥

( ১৩ )

আগতে তেওঁৰ  প্ৰণয়-প্ৰণয়ী
ব্ৰহ্মপুত্ৰ ও কুণ্ডিল।
অলঙ্ঘ প্ৰেমৰ  চানেকী দেখাই
লগে বৈছে কত কাল ॥

( ১৪ )

কত দিন আহে  কত যুগ যায়
ধুমুহা বৰষুণ সৈ।

বইছে লগেৰে এৰা-এৰি নাই
এনে মৰম বান্ধ ঐ।

( ১৫ )

এই দৰে তুমি ব্ৰহ্মপুত্ৰ নদী
সন্তাপীক দিয়া শান্তি।
প্ৰকৃতি জিয়াৰী পাতক ৰূপহী
কুণ্ডীল বুকে সাৱটি।

( ১৬ )

দিনৰ ভাগৰ শুচাবলৈ বুলি
সুকৰে মেলানি ললে।
হেঙুলী বৰণ ওৰণী পিন্ধি
পছিমলৈ লুটি খালে।

( ১৭ )

এতিয়াহে যেনে 'পাটকাই' গিৰি
নিজৰ শপত মৰি।
ওলায় সমুখে নিজ গৰবত
কৈ 'আজি আসাম বন্দি।'

( ১৮ )

মহা পুণ্য স্থান জগতত খ্যাত
পৰশুকুণ্ড নামে।
আছে ই উজনি ছ দিন দূৰণি
অলঙ্ঘ্য পৰ্ব্বত মাজে।

( ১৯ )

এনেহে সদিয়া চিকুণ নগৰী
ভালেহে কবিয়ে গায়,—
"বিচিত্ৰ সদিয়া তুমি প্ৰকৃতি কানন
চাৰিও ফালে বেৰি আছে গিৰি অগণন।"



( ২০ )

প্ৰবঞ্চনা চল একো নাইকিয়া
'আবৰি' জাতিৰ বাস।
'মিৰি' ও মিছিমি' 'খাম্‌তি' 'চিংফউ'
থাকে ইয়াৰেই কাষ।

( ২১ )

সভ্য জগতৰ চাটকে নোপোৱা
এনেহে ৰূপহী ঠাই।
সবলা শুবলা তোমাৰ জেউতি
সদা যেন থাকো চাই।

——মেহ।

---

# আসামত বৈষ্ণৱধৰ্ম্ম।

যি পৰমেশ্বৰে মানৱ জীৱনৰ উত্থান, পতন, হৰ্ষ, বিষাদ, আনন্দ, খেদ, দয়া, মৰম, প্ৰেম, আদি সকলো বিষয়তে বিৰাজমান থাকি সকলো জীৱক সংসাৰ-ক্ষেত্ৰত ৰথৰ চক্ৰৰ দৰে ঘূৰাব লাগিছে, যি পৰমেশ্বৰ আত্মা-স্বৰূপ সকলো জগত ব্যাপী আছে, যাৰহতে সৃষ্টি, স্থিতি, লয়, হব লাগিছে, সেই একমাত্ৰ পৰম পিতা পৰমেশ্বৰেই এই বৈষ্ণৱ পন্থৰ পন্থীসকলৰ উপাস্য দেৱতা। সেই পৰমব্ৰহ্ম পৰমেশ্বৰৰ নাম কীৰ্ত্তনেই এই বৈষ্ণৱধৰ্ম্মৰ মহৎ উদ্দেশ্য। একমাত্ৰ কৃষ্ণৰ শৰণেই এই ধৰ্ম্মৰ মূল মন্ত্ৰ।

"এক দেউ, এক সেউ,
এক বিনে নাই কেউ"।

একমাত্ৰ ঈশ্বৰত শৰণ আৰু তেওঁৰ বাজে কোনো নাই। এই মহৎ তত্ত্বই প্ৰকৃত সনাতন হিন্দু ধৰ্ম্মৰ মূলত এক ঈশ্বৰবাদ। এই সনাতন ধৰ্ম্মই শঙ্কৰ মাধৱৰ ধৰ্ম্ম। এই ধৰ্ম্মত জড়োপাসনা নাই। যদি কোনোবাই জড় পদাৰ্থৰ মূৰ্ত্তিক ঈশ্বৰ বুলি ভাবে তেন্তে তেওঁৰ ভুল। কিন্তু নিৰাকাৰ ঈশ্বৰক উপাসনা

১। এই শব্দ আজিকালি অচলিত। সং,,ভে. ঠা.

কৰিবলৈ অসমৰ্থ হৈ কোনোৱে যদি সাকাৰ মূৰ্ত্তিত ঈশ্বৰৰ আবিৰ্ভাৱ বুলি উপাসনা কৰে তেন্তে তেওঁৰ সিমান ভুল নহয়। সকলোৰে পক্ষে নিৰাকাৰ নিৰ্গুণক ধ্যান কৰা টান, সেই কাৰণে কোনোৱে কোনোৱে অজ্ঞাতভাৱে সাকাৰ উপাসনা কৰিবলৈ বাধ্য হয়। লোকৰ অধিকাৰভেদে ভিন ভিন উপাসনাৰ সৃষ্টি, কিন্তু সকলোৰে লক্ষ্য এক পৰব্ৰহ্মৰ সাধনা থকা উচিত।

"এতাৱন্ত মূৰ্ত্তি শূন্য কিমতে পূজিবা তান্ত নাম বুলি শুদ্ধ কৰা মন।"

নামঘোষাৰ এই ফাকি কথাৰে বেছকৈ বুজিব পাৰি যে মূৰ্ত্তি উপাসনা নাই, কেৱল নাম কীৰ্ত্তন।

'নাম-ঘোষা' পুথিখন একান্তমনে পঢ়ি হৃদয়ঙ্গম কৰিব পাৰিলে জানিব-পাৰি যে শ্ৰীমদ্ভাগৱতৰ সৎসঙ্গ,গীতাৰ এক-শৰণ আৰু সহস্ৰনামৰ হৰিনাম এই সাৰ বস্তুৰ সমষ্টিয়েই মহাপুৰুষীয়া ধৰ্ম্মৰ মূল উপাদান। অব্যভিচাৰী নিষ্কাম ভক্তিযোগেৰে লীলাময় পুৰুষোত্তমৰ উপাসনাৰে নিৰাকাৰ সচ্চিদানন্দ পৰম ব্ৰহ্ম প্ৰাপ্তিয়েই এই পন্থৰ মুখ্য উদ্দেশ্য। বিশিষ্ট গুৰুৰ উপদেশেৰে একমাত্ৰ পূৰ্ণব্ৰহ্ম শ্ৰীকৃষ্ণ দেৱত একান্ত শৰণ, সাধুসঙ্গত অগাধ ভক্তি আৰু ঈশ্বৰৰ লীলা চৰিত্ৰ নাম কীৰ্ত্তন কৰাই পৰম পুৰুষাৰ্থ। ভক্তিয়েই এই পন্থৰ এটি প্ৰধান অঙ্গ। পাৰ্থিব মানৱ জীৱন একেবাৰে অমূলক বুলি বৈষ্ণৱসকলে পৃথিবীত নৰতনু লাভ কৰা যে কি সুখৰ কথা তাক বাৰ বাৰ কৈছে। মানৱ জীৱন লাভ কৰি একমাত্ৰ ভক্তিৰে মুক্তিলাভ কৰিব পাৰি এই কথা মহাপুৰুষ শঙ্কৰদেৱে কীৰ্ত্তনৰ প্ৰায় প্ৰত্যেক অধ্যায়ৰ শেষত মানুহক বুজাবলৈ চেষ্টা কৰিছে। এই ভক্তি শুদ্ধ অকপট আৰু একনিষ্ঠ হব লাগে, নহলে পৰম ব্ৰহ্ম লাভ নহয়। কোনো এজনী তিৰুতাই এজনক ভজিলে সতী আৰু অব্যভিচাৰিণী হয় আৰু বহুজনক ভজিলে অসতী, ব্যভিচাৰিণী হয়, তেনেকৈ আন দেৱদেৱীক নভজি কেৱল কৃষ্ণত ভজিলে ভক্তি অব্যভিচাৰী হয়। গীতাত শ্ৰীকৃষ্ণই কৈছে :—

"মাঞ্চ যোঽ ব্যভিচাৰেণ ভক্তি যোগেন সেৱতে।
স গুণান্ সমতীত্যৈতান্ ব্ৰহ্ম ভূয়ায় কল্পতে" ॥



আকৌ 'নাম ঘোষাত' আছে :—

"মোত মাত্ৰ সদা দিয়া মন মোৰ ভক্ত হোৱা সৰ্ব্বক্ষণ
মোক পূজা মাত্ৰ মোকে কৰা নমস্কাৰ।
কহিলোঁ তোমাত সত্যবাণী, পাইবা মোক-সুখে মহামানি
তুমি প্ৰিয়তম সুহৃদ সখি আমাৰ" ॥

"কৃষ্ণ নিগদতি সব্যসাচি পৰমাৰ্থ তত্ত্ব লৈয়ো বাচি
সুদৃঢ় বিশ্বাসে শৰণ লৈয়ো আমাত।
মোতে মাত্ৰ সদা দিয়া চিত্ত গায়ো মোৰ নাম গীত
সকল শাস্ত্ৰৰ সাৰ কহিলোঁ সাক্ষাত" ॥

এইদেখি শঙ্কৰ মাধৱে প্ৰচাৰ কৰা ধৰ্ম্মক একশৰণ ধৰ্ম্ম বোলে। ভগবানৰ প্ৰসাদত যি মহাপুৰুষৰ এই প্ৰকাৰ একান্ত ভক্তি হৃদয়ত জন্মে তেওঁ মোক্ষ পদকো আশা নকৰি কেৱল ভক্তিতে মজি থাকে। সেই কাৰণে শঙ্কৰে "পাষাণ্ড মৰ্দ্দনত" কৈছে :—

"নলাগে লীন মুকুতিকো তথা।
নাহি হৰি পদ পঙ্কজ যথা ॥
কৰ্ণৰ অমৃত হৰি চৰিত।
ভকতৰ মুখে শুনিব নিত ॥"

আকৌ 'নাম ঘোষাত' কৈছে :—

"মুক্তিত নিস্পৃহ যিটো সেহি ভকতক নমো
ৰসময়ী মাগোহো ভকতি।
সমস্ত মস্তক মণি নিজ ভকতৰ বশ্য
ভজো হেন দেৱ যদুপতি"।

মহাপুৰুষীয়া ধৰ্ম্ম অৱলম্বন কৰি একমাত্ৰ ঈশ্বৰত শৰণ ললে তীৰ্থাদি পৰ্য্যটনৰ কোনো কাম নাই।

তীৰ্থ বুলি কৰে জলত শুদ্ধি।
প্ৰতিমাত কৰে দেৱতা বুদ্ধি ॥
বৈষ্ণৱত নাই ইসব মতি।
সকতো অধম কৃষ্ণ বদতি ॥"

কেৱল হৰিনাম আশ্ৰয় কৰিলেই সকলো তপ, যপ, যজ্ঞ, তীৰ্থ আদিৰ ফল পোৱা যায়। কেৱল নামেই কলিৰ পৰম বস্তু, সেই কাৰণে মহাপুৰুষে নাম-অপৰাধত কৈছে :—

"পৰম বান্ধৱ হৰিৰ নাম।
যি জনে আক লবে অবিশ্ৰাম ॥
তাৰ সাত কাৰ্য্য সাধিবে দেখা।
প্ৰতি প্ৰতি লোৱা সাতৰ লেখা ॥
প্ৰথমে দহিবে পাতক ছয়।
কৰিবে মহাপুণ্য অভ্যুদয় ॥
কৰাৱে বিষয়ত বিৰকতি।
কৃষ্ণত বাঢ়িবে প্ৰেম ভকতি ॥
উপজাইবে অতি বৈষ্ণৱ জ্ঞান।
মায়াক কৰিবে দহি নিৰ্য্যান।
চৈতন্য মূৰ্ত্তি পূৰ্ণানন্দ হৰি।
থৈবেক তেন্তে এবে এক কৰি ॥
তেবেসে নাম হৈবে উপাসন্ত।
কহিলো পৰম তত্ব একান্ত ॥
নাম বিনে নাহি কলিত গতি।
কলিৰ লোক হইবে পাপমতি ॥
অন্যত্ৰ ধৰ্ম্মে নাহি অধিকাৰ।
জানিবা কলিত নামেসে সাৰ" ॥

প্ৰাচীন কালত মানুহে ধৰ্ম্ম সাধনৰ নিমিত্তে সংসাৰ ত্যাগ কৰি হাবিৰ মাজত ঈশ্বৰ চিন্তা কৰিছিল। বৈৰাগ্য অবলম্বন কৰি সৎকাৰ্য্য কৰিছিল। কিন্তু বৰ্ত্তমান যুগত সংসাৰ ত্যাগ কৰাৰ আৱশ্যক নাই। আৰু বাস্তৱতে সংসাৰতহে মানুহৰ পূৰ্ণ বিকাশ হয়। সংসাৰৰ নানা প্ৰলোভনৰ মাজত থাকি ইন্দ্ৰিয় সংযত কৰি যেয়ে ঈশ্বৰ চিন্তা কৰি জীৱৰ কল্যান সাধিব পাৰে তেওঁয়ে প্ৰকৃত মহৎ লোক। এই বৈষ্ণৱ পন্থতো বৈৰাগী হোৱা আৱশ্যক নকৰে। সেই কাৰণে মাধৱদেৱে কৈছে :—



"গৃহবাসে কিবা ভক্তি কৰিবে বাধয়।
গৃহে থাকি ভকতি কৰিবে সুবালয় ॥
এবে গৃহ বাস নতু হোৱন্তে বিৰক্তি।
পাচত ধৰয় সিটো শূকৰৰ বৃত্তি ॥
যেনে আপোনাৰ বিষ্ঠা শূকৰে এৰয়।
পৰৰ বিষ্ঠাক পাচে ভোজন কৰয় ॥"

এই বিষয়ত ৰত্নাকৰত লিখিছে :—

"প্ৰমত্ত পুৰুষ যদি বনে চলি যায়।
বনতো সংসাৰ তাৰ জানা সুশুছয় ॥
যিবা হেতু ছয় শত্ৰু লগতে থাকয়।
যিটো জ্ঞানী জিতেন্দ্ৰিয় আত্মাতে ৰময়।
গৃহ বাস দোষে বা তাহাক কি কৰয় ॥
হৰিৰ সেৱক তুমি পৰম মহত্ত্ব।
ইন্দ্ৰিয় সবক জিনি ভৈলা উপাসাত্ব।
গৃহবাসে বনবাসে সমান তোমাৰ"।

শুদ্ধ চিত্ত হৈ অকপট ভাৱে জীৱৰ কল্যান সাধি সংসাৰত থকাই ভাল। বনবাসৰ বিশেষ আৱশ্যক নাই।

শঙ্কৰ মাধৱৰ মতে জগতৰ সকলো কৰ্ম্ম ঈশ্বৰৰ উদ্দেশ্যে কৰা হয়। ঈশ্বৰৰ উদ্দেশ্যে কাম কৰিবলৈ শিক্ষা দিওঁতে তেওঁ লোকে অশেষ যাতনা সহ্য কৰিব লগাত পৰে। তেওঁ লোকৰ কৰ্ম্মযোগ সদায় ঈশ্বৰমুখী। গীতাতো শ্ৰীকৃষ্ণই কৈছে :—

"চেতসা সৰ্ব্ব কৰ্ম্মানি ময়ি সংন্যস্য মৎপৰঃ।
বুদ্ধি যোগমুপাশ্ৰিত্য মচ্চিত্তঃ সততং ভব ॥
ব্ৰহ্মণ্যাধায় কৰ্ম্মাণি সঙ্গং ত্যক্ত্বা কৰোতি যঃ।
লিপ্যতে ন স পাপেন পদ্ম পত্ৰামিবাম্ভসা" ॥

জগতৰ যাৱতীয় কৰ্ম্ম নিবহকাৰী হৈ অকপট চিত্তেৰে ভগৱানৰ চৰণত অৰ্পণ কৰিলে কৰ্ম্মবন্ধনৰ পাপে চুব নোৱাৰে।

"নিষ্কাম কৰিয়া সকলো কৰ্ম্ম।
বিষ্ণুত অৰ্পিব সিসব ধৰ্ম্ম" ॥

সমস্ত কৰ্ম্ম ঈশ্বৰত নিষ্কাম মনেৰে অৰ্পণ কৰাই প্ৰেম ভক্তিৰ মাই কাৰণ। যি কৰ্ম্মৰ মূলত সংকল্প লাভৰ আশা নাই, যি কৰ্ম্ম নিৰহঙ্কাৰী ভাৱে কেৱল ভগৱানৰ উদ্দেশ্যে কৰা হয় সেয়েহে প্ৰকৃত যজ্ঞ কৰ্ম্ম। এই প্ৰকাৰ ভক্তিয়েই মহাপুৰুষীয়াৰ সাৰ ভক্তি।

ভাৰতৰ অনেক ধৰ্ম্ম সম্প্ৰদায়ৰ ভিতৰত দেখা যায় যে গুৰুৱে বংশানুক্ৰমে উপযুক্ত অনুপযুক্ত নিবিচাৰি ধৰ্ম্মৰ মন্ত্ৰ দি শৰণ কৰা প্ৰথা আছে। কিন্তু শঙ্কৰ মাধৱৰ ধৰ্ম্মত সেইটো নহয়। তেওঁলোকৰ মতে যেয়ে উপযুক্ত, ভক্ত, শাস্ত্ৰজ্ঞ, জ্ঞানী, তেওঁ বংশাধিকাৰী নহলেও উপদেশদাতা গুৰু হব পাৰে। তাৰ প্ৰমাণ তেওঁৰ নিজৰ জীৱনেই জলন্ত দৃষ্টান্ত। মহাপুৰুষ শঙ্কৰদেৱে মানৱলীলা সম্বৰণ কৰিবৰ সময়ত তেওঁৰ পুত্ৰ পৌত্ৰাদিক ধৰ্ম্মমালা নিদি তেওঁৰ উপযুক্ত শিষ্য মাধৱদেৱৰ মূৰত দি যায়। উপযুক্ত গুৰুৰ উপদেশ হলে শিষ্যৰ মঙ্গল হয়। সেই কাৰণে তেওঁলোকে এঠাইত কৈছে :—

"বেদৰ ৰহস্য তত্ত্ব সকলে জানন্ত ;
কৃষ্ণক ভকতি বলে সাক্ষাত কৰন্ত ॥
এহেন্তে উত্তম গুৰু কহিলোঁ সম্প্ৰতি।
ইহাৰেসে উপদেশে শুদ্ধ হোৱে মতি" ॥

পূৰ্ব্বেই কোৱা গৈছে যে গীতাৰ শৰণ আৰু ভাগৱতৰ সৎসঙ্গ মহাপুৰুষীয়াই গ্ৰহণ কৰিছে। সৎসঙ্গ সম্বন্ধে ভাগৱতত ভগৱানে উপদেশ দিছে :—

"প্ৰায়েন ভক্তিযোগেনে সৎসঙ্গেন বিনোদ্ধৱ।
নোপায়ো বিদ্যতে সম্যক প্ৰায়ণং হি সতামহম ॥
ন ৰোধয়তি মাং যোগেন সাংখ্যং ধৰ্ম্ম এব চ।
না স্বাধ্যায় স্তপস্ত্যাগো নেষ্টা পূৰ্ত্তং ন দক্ষিণা
ব্ৰতানি যজ্ঞশ্চন্দাংসি তীৰ্থানি নিয়মা যমাঃ
যথা ৰুন্ধে সৎসঙ্গে সৰ্ব্ব সঙ্গাপ হোহি মাং" ॥

শুদ্ধ সৎ সঙ্গৰ গুণত যমৰ কিঙ্কৰ শুচি যজ্ঞ তপ আদি নকৰিয়ো সংসাৰ



তাপৰপৰা মুক্তি পাই বৈকুণ্ঠলাভ কৰিব পাৰি। এই দৰে সাধুসঙ্গৰ উপকাৰিতা বৰ্ণনা কৰি ভগৱানে উদ্ধৱক উপদেশ দিছে। আৰু এই উপদেশেই মহাপুৰুষীয়া ধৰ্ম্মৰ উপদেশ।

এই বৈষ্ণৱ ধৰ্ম্মত জাতি অজাতি একো নাই, যেয়ে কৃষ্ণৰ পৰম ভক্ত সেয়ে শুদ্ধ। ধৰ্ম্ম ৰাজ্যত কোনো ভকতৰ পাৰ্থক্য নাই। যেয়ে হৰিনামত দ্ৰৱীভূত হৈ থাকে তেওঁৱে শ্ৰেষ্ঠ, তেওঁৱে ব্ৰাহ্মণ। শ্ৰেষ্ঠ কুলত জন্মিও হৰিগুণ কীৰ্ত্তন নকৰিলে ধৰ্ম্মৰাজ্যত সি নিকৃষ্ট। সেই কাৰণে "পাষণ্ড-মৰ্দ্দনত" শঙ্কৰদেৱে কৈছে—

"সিটো চণ্ডালক গৰিষ্ঠ মানি।
যাৰ জীহ্বাগ্ৰে থাকে হৰি বাণী ॥
সমস্ত তীৰ্থতে কৰিল স্নান।
কৰিলে সব তপ হোম দান ॥
সেহিসে কুলীন বেদক বুজে ॥
যাহাৰ মুখে হৰিনাম সিজে ॥
পৰম তত্ত্ব জানি দেৱহুতি।
তৃতীয়া স্কন্ধত কৰিলা স্তুতি ॥
কৃষ্ণৰ কথাত যিটো ৰসিক।
ব্ৰাহ্মণ জন্ম তাৰ লাগে কিক ॥
স্মৰোক মাত্ৰ হৰি দিনে ৰাতি।
নবাছে ভকতি জাতি অজাতি ॥"

গতিকে হৰিনাম কীৰ্ত্তন নীচ জাতিয়ে কৰোক বা উচ্চ জাতিয়ে কৰোক তাক নিন্দা কৰা উচিত নহয়। শঙ্কৰদেৱে আকৌ কৈছে :—

"চণ্ডালে কৰিছে হৰি কীৰ্ত্তন।
বুলিয়া নিন্দে যিটো অজ্ঞজন ॥
তাক সম্ভাষণ যি জনে কৰে।
আজন্মৰ পুণ্য তেখনে হৰে ॥
বিষ্ণুৰ গুণ নামে অলঙ্কৃত।
অন্ত্যজো যিবা কৰি আছে গীত ॥"

তাক নিন্দা কৰে যিটো কুমতি।
পুণ্যক নাশি যায় অধোগতি।”

সংসাৰৰূপ সাগৰত কৃষ্ণৰূপ অনুকুল বায়ু দ্বাৰাই চালিত মানৱ-নৌকাত গুৰুৱেই হৈছে কৰ্ণধাৰ। কৰ্ণধাৰ গুৰু নহলে সংসাৰ পাৰ হোৱা টান। সেই কাৰণে এই ধৰ্ম্ম মতে সৎগুৰুৰ ঋণ পৰিশোধ কৰা টান। সেই কাৰণে গুৰুৰ উপদেশ মতে চলি তেওঁলোকৰ মনত সন্তোষ দিয়া উচিত। এই সম্বন্ধে মহাপুৰুষসকলে এঠাইত কৈছে :—

“যিটো মহামতি গুৰুজনে হৰিভক্তি পথ উপদেশ
দিয়া দুঃখময় সংসাৰৰ পাৰ কৰে।
হেনয় পৰম গুৰু ঋণ শুজিবাৰ প্ৰতি জানা নিষ্ঠ
অন্যত্র উপায় নাহি অজানিত পৰে।
হৰি ভক্তি দাতা গুৰু ঋণ শুজিবাক যিটো অহংকাৰী
অনেক যতনে মনত আলচে শত।
ঋণ শুজিবাক নপাৰয় জানি মাহা সিটো দুৰাশৰ
উপলা সদৃশ বিনোদৰ ভেলা পাত্ৰ।”

গীতাৰ পৰম গুহ্যতম শৰণ ধৰ্ম্ম মহাপুৰুষীয়াৰ ধৰ্ম্ম, সৰ্ব্ব জগৎ শিৰোমণি ভাগৱত শাস্ত্ৰৰ ভজন ধৰ্ম্ম। প্ৰাচীন কালত আৰ্য্য ঋষিসকলে যি ধৰ্ম্ম লিপিবদ্ধ কৰি থৈ গৈছে সেই ধৰ্ম্মই এই বৈষ্ণৱ ধৰ্ম্ম। এই ধৰ্ম্ম সত্য যুগতো প্ৰচলিত আছিল। মাজতে ধৰ্ম্ম বিপ্লৱত দেৱসকলে সকলো লুপ্ত কৰিছিল, পাছে মহাপুৰুষ শঙ্কৰদেৱে ধৰ্ম্ম শাস্ত্ৰ মন্থন কৰি আচল তত্ত্ব উলিয়াই নিজ মাতৃভাষাত সৰল ভাৱেৰে সেই সত্য সনাতন ধৰ্ম্ম প্ৰচাৰ কৰে। মাধৱ দেৱে কৈছে :—

“আদি সত্য যুগে শুদ্ধ ধৰ্ম্ম আছিলেক মাত্ৰ হৰিনাম
দেৱ সকলে গুপ্ত কৰিলে কৰি কপট।
হেন হৰি নাম ব্যক্ত কৰি সমস্ত লোকক উদ্ধাৰিলা
শ্ৰীমন্ত শঙ্কৰে ভাজিলা সবাৰ পট।।
বৈকুণ্ঠ প্ৰকাশে হৰিনাম ৰসে
প্ৰেম অমৃত নদী।



শ্ৰীমন্ত শঙ্কৰে পাৰ ভাজি দিলা
বহে ব্ৰহ্মাণ্ডক ভেদি।”

মহাপুৰুষ শঙ্কৰদেৱে সুললিত ভাষাত পদবন্ধে নিবন্ধি ধৰ্ম্মৰ মূল কাৰণ প্ৰকাশ কৰিছিল। তলত লিখা পদকেইফাকিৰে বেছকৈ বুজিব পাৰি।

“শ্ৰৱণে কীৰ্ত্তনে যিটো অনুক্ষণে
ভজে মহা ভক্তি ভাৱে।
সিসি মহাজনে সুখে অপ্ৰয়াসে
হাততে মুকুতি পাৱে।
জানি ইটো তত্ত্ব ঈশ্বৰ কৃষ্ণত
হয়োক এক শৰণ।
গোৱা গুণগীত কৰি এক চিত্ত
বৰ্জ্জিও যমৰ বণ।
কলিত নামেসে কলিত নামেসে
কলিতে নামেসে গতি।
নাম এৰি আন গতি নাই নাই
নাই জানা প্ৰতি প্ৰতি।”

শঙ্কৰদেৱৰ গুণ সুঁৱৰি সুঁৱৰি মাধৱদেৱে লিখিছে :—

“হৰি ভকতিৰ পাতিলন্ত হাট
শঙ্কৰে জগত জুৰি।
হৰিনাম বত্ন বেহায়া জগতে
চলয় বৈকুণ্ঠ পুৰী।”

এই বৈষ্ণৱ ধৰ্ম্মত সকলোৰে অধিকাৰ, ই কাৰো বাপতীসাহোন নহয়। ইয়াৰ নিয়ম অনিয়ম একো নাই, কেৱল নাম, নাম কীৰ্ত্তনেই সাৰ। সেই কাৰণে মাধৱদেৱে কৈছে :—

“বৰ্ণাশ্ৰম ধৰ্ম্ম যত যাৰ যেন বিধি আছে
তাৰেসে কেৱলে অধিকাৰ।
হৰিনাম কীৰ্ত্তনৰ নাহিকে নিয়ম একো
এতেকেসে ধৰ্ম্ম সাৰে সাৰ।

অধমে কেৱল দোষ   লবয় মধ্যমে গুণ
দোষ লয়ে কৰিয়া বিচাৰ।
উত্তমে কেৱলে গুণ   লবয় উত্তমোত্তমে
অল্প গুণ কৰয় বিস্তাৰ।
পুৰুষোত্তম প্ৰেম   ভকতি সুখক মাত্ৰ
নিশ্চয় কৰিলে যিটো জন।
শৰণ কালৰ পৰা   বিধিৰ কিঙ্কৰ শুচি
কৰে সদা শ্ৰৱণ কীৰ্ত্তন।
ভাৱত বন্দৰ দ্বীপ   মনুষ্য শৰীৰ নৌকা
ৰাম নাম মহা বস্তু সাৰ।
হেনয় বাণিজ পাই   যিটো জনে নকৰয়
তাত পৰে দুখী নাহি আৰ।"

দেহ, বাক্য, মন, ইন্দ্ৰিয় বুদ্ধি, চিত্ত, সংস্কাৰ স্বভাব অনুসাৰে যিযি ধৰ্ম্ম কৰ্ম্ম কৰা যায় সকলো সেই পৰমপিতা পৰমেশ্বৰৰ উদ্দেশ্তে অৰ্পণ কৰা উচিত। তেনেহলে আমি নিষ্কাম পবিত্ৰ ভক্তিৰে ভগবদ্ শক্তিৰ প্ৰভাৱত জগতৰ কাম সমাধা কৰি মুক্তি পাই বৈকুণ্ঠ লাভ কৰিব পাৰিম। বহুত মানুহে ঈশ্বৰৰ প্ৰতি বিমুখ হৈ সংসাৰ-ভাৱত ডুবি থাকে; গতিকে অনেক কষ্ট পায়। কিন্তু সকলোৰে মূল পৰমেশ্বৰ। সেই কাৰণে যাৰ মায়াৰ গুণত সংসাৰ চলিব লাগিছে, যাৰ অনুগ্ৰহত সংসাৰত নৰ তনু লভি কৰ্ম্ম আৰু ভক্তি যোগেৰে সংসাৰ বন্ধন ছিঙিব পাৰি, যাৰ হস্তে সৃষ্টি, স্থিতি, লয় হব লাগিছে, জ্ঞানীলোকসকলে সেই পৰম ব্ৰহ্ম পৰমেশ্বৰক সাক্ষাৎ গুৰু মানি অব্যভিচাৰী ভক্তিৰে ভজনা কৰে। এই ভাগবতী ধৰ্ম্মই শঙ্কৰ মাধৱৰ প্ৰচাৰিত একশৰণ বৈষ্ণৱ ধৰ্ম্ম। এই শুদ্ধ সনাতন ধৰ্ম্ম প্ৰচাৰ কৰি শঙ্কৰ মাধৱে ব্ৰাহ্মণ, ক্ষত্ৰিয়, বৈশ্য, শূদ্ৰ. গাৰো, ভোট, যবনাদি সকলো জাতিকে শৰণ ধৰ্ম্ম দি জগতত এটি সাম্য স্থাপন কৰি কীৰ্ত্তিস্তম্ভ ৰাখি গৈছে।

শ্ৰীহৰমোহন দাস।



# অমৰ প্ৰকাশ।

(৬)

ক্ষীৰ স্বামীয়ে টীকাত কাত্য, ভাগুৰি, দুৰ্গা আৰু শাশ্বতৰ গ্ৰন্থাবলী আৰু "অমৰমালা"ৰ পৰা প্ৰচুৰ পৰিমাণে উদ্ধৃত কৰিছে। কল্পদ্ৰুমত কেশৱস্বামীয়ে লিখিছে,—

কাত্যবাচস্পতিব্যাড়িভাগুৰ্য্যমৰমঙ্গলাঃ।
সাহসাঙ্কমহেশাদ্যা বিজয়ন্তে জিনান্তিমাঃ॥

শ্লোকত থকা "অন্তিম" শব্দটো দেখি অনুমান হয়, এই নামমালা কালানুক্ৰমে সজোৱা হৈছে; এই অনুমান সঁচা হ'লে কাত্য সংস্কৃত সাহিত্যৰ প্ৰথম অভিধানকাৰ। কাত্যৰ অভিধানখানৰ নাম সম্ভবতঃ "নামমালা" আছিল। পণ্ডিত মহেন্দ্ৰয়ো ব্যাকৰণাচাৰ্য্য বামনে "নামমালা" বুলি যি এখন অভিধানৰ উল্লেখ কৰিছে, সেইখন কাত্যৰে বুলি সমৰ্থন কৰিছে (১)। কেশৱস্বামীৰ মতে কাত্য আৰু কাত্যায়ন একেজন মানুহ,—"কাত্যায়নো বৰৰুচিঃ কাত্যোঽপি চ পুনৰ্ব্বসুঃ। মেধাপৰ্য্যায় জিচ্ছ।" কিন্তু, স্বামীৰ এই মতৰ বিষয়ে সন্দেহ হয়, কাৰণ, ক্ষীৰ স্বামীয়ে অনেকবাৰ কাত্যৰ উল্লেখ কৰিছে কিন্তু এবাৰো "কাত্যায়ন" বুলি উল্লেখ কৰা নাই।

"ত্ৰিকাণ্ড" প্ৰণেতা ভাগুৰি অমৰসিংহৰ পূৰ্ব্ববৰ্ত্তী আছিল। মহাভাষ্যত ভাগুৰিৰ উল্লেখ আছে,

"বৰ্ণিকাভাগুৰী লোকায়তে" ২।৪।৯২

মহাভাষ্য অমৰকোষতকৈ বহুত আগ, ই সৰ্ব্ববাদিসম্মত কথা। কাজেই, মহাভাষ্যত ভাগুৰিৰ উল্লেখ থাকে যেতিয়া ভাগুৰি অমৰসিংহতকৈ আগ। মহামানী কলব্ৰুক চাহাবে সম্পাদন কৰা অমৰকোষৰ পাতনিত আছে,— অমৰে নিজেই প্ৰস্তাৱনাত অভিধানখন আন আন প্ৰাচীন অভিধানৰ সহায় লৈ ৰচা বুলি কৈ গৈছে। অমৰকোষৰ টীকাকাৰসকলে এই প্ৰাচীন অভিধানবিলাকৰ নামৰ লগত 'ত্ৰিকাণ্ডৰ (২) নামো দিছে। এই দুটা

(১) পণ্ডিত Zachariaeৰ প্ৰবন্ধ।

(২) অমৰকোষকো 'ত্ৰিকাণ্ড' বোলা যায়।

কথাৰপৰা নিশ্চিত হব পাৰি যে, ভাগুৰি অমৰসিংহৰ পূৰ্ব্ববৰ্ত্তী আছিল। তদুপৰি স্বামীয়ে টীকাত স্পষ্টকৈ কৈ গৈছে,—

" 'বৃহতী তু নিদিগ্ধিকা' ইতি ভাগুৰিবাক্যাৎ গ্ৰন্থকৃদ্ভ্ৰান্তঃ।"

অমৰকোষৰ টীকাকাৰসকলে দুৰ্গাৰ অভিধানৰ উল্লেখ বৰকৈ কৰা নাই। কিন্তু, এই অভিধানকাৰ দুৰ্গা আৰু কাতন্ত্ৰবৃত্তিৰ গ্ৰন্থকাৰ দুৰ্গা যদি একেজন মানুহ হয়, তেন্তে দুৰ্গা অমৰসিংহতকৈ বহুত পাছৰ, কাৰণ কাতন্ত্ৰবৃত্তিকাৰ দুৰ্গাই অমৰৰপৰা ঠায়ে ঠায়ে উদ্ধৃত কৰিছে। শাশ্বতৰ "অনেকাৰ্থ সমুচ্চয়"টো অমৰৰ "নানাৰ্থবৰ্গ"টোতকৈ বিস্তৃত আৰু দুইটাৰে ভিতৰত ঠায়ে ঠায়ে সম্পূৰ্ণ সাদৃশ্য আছে, যেনে, অম্বু, অম্বুবন্ধ ইত্যাদি। "অনেকাৰ্থ সমুচ্চয়"টো নানাৰ্থবৰ্গ"ৰে এটা বিস্তৃত সম্পূৰ্ণাঙ্গ সংস্কৰণ বুলিলেও হানি নাই, এই বাবেই "সমুচ্চয়"ৰ ৰচনাকাল "নানাৰ্থ"তকৈ পাছ বুলি প্ৰায়বিলাকৰে বিশ্বাস। পণ্ডিতপ্ৰবৰ Zachrieaএ সম্পাদন কৰা "অনেকাৰ্থ সমুচ্চয়" শেষৰ শ্লোকটোত পোৱা যায় যে, শাশ্বতে এই অভিধানখন কোনোবা ৰবাহেৰে সৈতে ( সম্ভৱতঃ ৰবাহমিহিৰৰে ) পৰামৰ্শ কৰি ৰচনা কৰিছিল; শ্লোকটো এই,—

মহাবলেন কবিনা ৰবাহেন চ ধীমতা।
সহ সম্যক্ পৰামৃশ্য নিৰ্ম্মিতোঽয়ং প্ৰযত্নতঃ ॥

ঠায়ে ঠায়ে স্বামীয়ে প্ৰাদেশিক শব্দাবলী উদ্ধৃত কৰিছে। সম্ভৱতঃ কোনো প্ৰাকৃত অভিধানৰপৰা। প্ৰাদেশিক শব্দৰ এনে এখন অভিধানৰপৰা টীকাকাৰ ৰায়মুকুট ৰত্নেশ্বৰ আদিয়ে শব্দ উদ্ধৃত কৰিছে।

এইখিনিতে কোৱা উচিত যে, স্বামীৰ পূৰ্ব্ববৰ্ত্তী ব্যাড়ি, বাচস্পতি আদিৰ [illegible]ৰ প্ৰকাণ্ড অভিধানবিলাকৰপৰা পৰা স্বামীয়ে টীকাত একোকে উদ্ধৃত কৰা নাই; ই অলপ আশ্চৰ্য্যৰ বিষয়। চিকিৎসা কোষৰ ভিতৰত স্বামীয়ে বেছিভাগ ধন্বন্তৰি, চন্দ্ৰ ( বা চন্দ্ৰনন্দন ) আৰু ইন্দুৰ অভিধানৰপৰা উদ্ধৃত কৰিছে, মাজে মাজে সুশ্ৰুত আৰু বাগভটৰ গ্ৰন্থৰপৰাও উদ্ধৃত কৰা দেখা যায়। ইন্দু আৰু চন্দ্ৰৰ গ্ৰন্থ আজিকালি পাবলৈ নাই, কৰবাত এখন দুখন হে যদি আছে। চন্দ্ৰই ৰচা বাগভটৰ চিকিৎসা গ্ৰন্থৰ টীকা একনৰ কথা পণ্ডিত Aufrecht চাহাবে উল্লেখ কৰিছে।



ধন্বন্তৰিক্ষপণকামৰসিংহশঙ্কুবেতালভট্ট ঘট-কৰ্পৰকালিদাসাঃ।
খ্যাতো ৰবাহমিহিৰো নৃপতেঃ সভায়াং ৰত্নানি বৈ ৰৰুচিৰ্ণৰ বিক্ৰমস্য ॥

এই শ্লোকটো ভাৰতৰ সকলো ঠাইতে প্ৰচলিত। ইয়াৰপৰা জানিব পাৰি, অমৰসিংহ আৰু ধন্বন্তৰি দুয়ো নৱৰত্নসভাৰ ৰত্ন আছিল। কিন্তু, স্বামীয়ে টীকাত দেখুৱাইছে যে অমৰসিংহত কৈ ধন্বন্তৰি বহুতৰ আগ। অমৰে ধন্বন্তৰিৰ গ্ৰন্থৰপৰা বাক্যাবলী উদ্ধৃত কৰিছে, কিন্তু চিকিৎসাগ্ৰন্থ পঢ়োতে ঠায়ে ঠায়ে ভুল কৰিছে। স্বামীয়ে টীকাত এনেকুৱা কিছুমান ভুলৰ উদাহৰণ (৩) দিছে; নিদৰ্শনস্বৰূপে গোটাদিয়েক তলত দিয়া হ'ল।

'বালপত্ৰ' একবিধ গছ, দৰৱত লাগে, এই নাম ধন্বন্তৰিয়ে দিয়ে। গছ জোপাৰ পাতবিলাক সৰু সৰু বাবে তাৰ নাম দিছিল "বালপত্ৰ", কিন্তু অমৰে ভুলকৈ তেওঁৰ অভিধানত "বালপত্ৰৰ" ঠাইত "বালতনয়" লিখিছে। "বালতনয়"ৰ অৰ্থ ধন্বন্তৰিয়ে প্ৰয়োগ কৰা 'বালপত্ৰ'ৰ সৈতে একে নহ'ল। কাজেই অমৰে প্ৰয়োগ কৰা "বালতনয়" উপযুক্ত আৰু যথাৰ্থ নহয় (৪)।

"উপচিত্ৰা" নামে একবিধ লতা আছে, দৰৱত লাগে। ধন্বন্তৰিয়ে ইয়াৰ আৰু এটা নাম দিছে "দন্তী", কিন্তু অমৰে দন্তীৰ ঠাইত লিখিছে "দ্ৰৱন্তী" (৫)।

"শীতলবাতক" একবিধ বন, দৰৱত লাগে, ধন্বন্তৰিয়ে এই নাম দিছে। আন এটা নাম হৈছে "শণপৰ্ণী"। অমৰে "শীতলবাতক"ত সমান আছে বুলি "শণপৰ্ণী"ৰ নাম পৰ্য্যায়ত "শীতল" আৰু "বাতক" এই দৰে বেলেগ বেলেগ কৈ লিখিছে (৬)।

---

(৩) মহাপণ্ডিত প্ৰফেচাৰ Zachariae এৰো তেখেতৰ Beitrage zur Indischen lexicographie-ত কিছুমান উদাহৰণ দিছে।

(৪) "বালপত্ৰো যবাসঃ খদিৰশ্চ"—ধন্বন্তৰি।
"গায়ত্ৰী বালতনয়ঃ খদিৰো দন্তধাৱন"—অমৰকোষ, বনৌষধিবৰ্গ।

(৫) "উপচিত্ৰা দন্তী পৃক্তিপৰ্ণী চ"—ধন্বন্তৰী।
"চিত্ৰোপচিত্ৰা ন্যগ্ৰোধী দ্ৰৱন্তী শম্বৰী বৃষা"—অমৰকোষ, বনৌষধিবৰ্গ।

(৬) "অপৰাজিতা শীতলবাতকো গিৰিকৰ্ণিকা"—ধন্বন্তৰি।
"আঘাতকঃ শীতলোঽপৰাজিতা শণপৰ্ণ্যপি"—অমৰকোষ, বনৌষধিবৰ্গ।

নিচিনা ভুল আৰু আছে। ধন্বন্তৰিৰ চিকিৎসাপুথিখনৰ নাম নিঘণ্টু" কোনো কোনোৱে "নিঘণ্টুৰ ঠাইত "নিৰ্ঘণ্ট" লিখে। বৰ্গত স্বামীয়ে ছুবাৰ দত্তিলৰ উল্লেখ কৰিছে। দত্তিলে াহলে মিলি এখন গ্ৰন্থ লিখি গৈছে, "দত্তিল কোহলীয়" নামে । এই "দত্তিল কোহলীয়" বৰ প্ৰাচীন গ্ৰন্থ নহয়, কাৰণ ইয়াত মাতৃগুপ্ত আৰু অভিনব গুপ্তৰ উল্লেখ আছে। প্ৰথমৰ শ্লোক বাই "দত্তিল কোহলীয়"ৰ বিষয়ে সবিশেষ জানিব পাৰি। শ্লোক ত তুলি দিলোঁ; সুগম দেখি অনুবাদ দিবলৈ ওহনহল।

কিন্দুৰোজোভিৰাসীনমুন্দৰোৰপৰাঙ্গকে।
বন্দে লক্ষ্মীকৰং বন্দে তুন্দিলং ধামসুন্দৰম্॥
সমস্তদেবশাস্ত্ৰাৰ্থসাৰজ্ঞায় গুণাত্মনে।
সৰ্ব্বানন্দানুসংধাত্ৰে সঙ্গীতব্ৰহ্মণে নমঃ॥
দত্তিলঃ কোহলশ্চৈৱ যৌ সঙ্গীত বিশাৰদৌ।
তাভ্যামিদং কৃতং শাস্ত্ৰং নৃত্যলক্ষণ পূৰ্ব্বকম্॥
নৃত্যানাং লক্ষণং কিন্তু তালানাং লক্ষণং তথা।
বাদ্যানাং লক্ষণং চৈৱ ক্ৰমাদিহ বিৰচ্যতে॥
সঙ্গীতশাস্ত্ৰকৰ্ত্তাৰঃ সৰ্ব্বজ্ঞঃ পাৰ্ব্বতীপতিঃ।
ব্ৰহ্মা চ ভৰতশ্চৈৱ কাশ্যপঃ শক্তিযাষ্টিকৌ॥
শাৰ্দ্দূলকো মতঙ্গশ্চ নন্দী নাৰদ এৱ চ।
ৰম্ভা চ তুম্বুৰুশ্চৈৱ ৰাৱণো বায়ুনন্দনঃ॥
মাতৃগুপ্তশ্চ তণ্ডুশ্চ মঘবান্ ক্ষেত্ৰপালকঃ।
কম্বলাশ্বতৰৌ বায়ুৰ্ব্বিশ্বাৱসুবিলাখিলৌ॥
উগ্ৰসেনোঽৰ্জ্জুনশ্চৈৱ সন্ত্যন্যে বহৱো জনাঃ।
তেষাং মতানুসাৰেণ সংগ্ৰহেণ বিৰচ্যতে॥

ামীয়ে চন্দ্ৰৰ ৰচিত ব্যাকৰণ আৰু ধাতুবৃত্তিখনৰ উল্লেখ কৰিছে। এই চন্দ্ৰগোমি। প্ৰাচীন পণ্ডিত পুণ্যৰাজৰ মতে চন্দ্ৰ পাতঞ্জলিতকৈ বহুতৰ পাছ,

পৰ্ব্বতাদাগমং লব্ধ্বা ভাষ্যবীজানুসাৰিভিঃ।
স নীতো বহুশাখত্বং চন্দ্ৰাচাৰ্য্যাদিভিঃ পুনঃ॥



স্বনাম প্ৰসিদ্ধ কলাপ ব্যাকৰণৰ টীকাকাৰ কবিৰাজ পণ্ডিতেৰো এই মতকে আৰু স্পষ্টকৈ প্ৰকাশ কৰিছে,—

"অতএৱ চন্দ্ৰগোমিনাপি বচনমিদং প্ৰত্যাখ্যাতং ন চ বাৰ্ত্তিকে যুগপদুভয়সংজ্ঞাসমাৱেশাদ্ বিৰোধ ইতি বাচ্যম্। ভাষাব্যুৎপাদকচন্দ্ৰগোমিবিৰোধেন বাৰ্ত্তিকস্য ছন্দোবিষয়ত্বকল্পনাৎ। তেন বাৰ্ত্তিকস্থোভয়সংজ্ঞাসমাৱেশেন যদ্ যৎ পদং ন ভৱতীত্যুচ্যতে তৎ তদেৱ পদং ভাষায়াং চন্দ্ৰগোমিমতানুসাৰেণ পাণিনিমতেঽপি ভৱত্যেৱ। তস্মা দস্মাভিৰপি চন্দ্ৰগোমি মতানুসৰণমেৱ ৰমণীয়মিতি ভাব্যম্।"

পাণিনি-মতাৱলম্বী মৈত্ৰেয়ই তেওঁৰ "ধাতুপ্ৰদীপ"ত চান্দ্ৰ ব্যাকৰণৰ উল্লেখ কৰিছে। চন্দ্ৰ খৃষ্টীয় প্ৰথম, দ্বিতীয় কি তৃতীয় শতিকাৰ মানুহ। মুগ্ধবোধকাৰ মহামহোপাধ্যায় বোপদেৱে লিখি গৈছে,—

ইন্দ্ৰশ্চন্দ্ৰঃ কাশকৃৎস্নাপিশলী শাকটায়নঃ।
পাণিন্যমৰজৈনেন্দ্ৰা জয়ন্ত্যষ্টৌ শাব্দিকাঃ॥

এই নামবিলাক কালানুক্ৰমে সজোৱা হৈছে যদি চন্দ্ৰ ওপৰত কৈ অহা কৈয়ো আগ। কিন্তু, এই নামাৱলী কালানুক্ৰমে সজোৱা নাই যেন লাগে। বছৰদিয়েক হ'ল, বোম্বাই অঞ্চলৰ এজন পণ্ডিতে ভট্টোজি দীক্ষিতৰ পুতেক ভানুজিদীক্ষিতৰ টীকাৰে সৈতে অমৰকোষৰ এটা নতুন সংস্কৰণ উলিয়াইছে। পাতনিত ওপৰত দিয়া শ্লোকটো উদ্ধৃত কৰি পণ্ডিতে লিখিছে,—

"অত্ৰেদং বোধ্যম্,—ইদং ন ক্ৰমবোধকম্। পাণিনি মহাভাষ্য প্ৰবৃত্তি সমকালক নিষ্পত্তিকচান্দ্ৰব্যাকৰণ কৰ্ত্তৃচন্দ্ৰাচাৰ্য্যস্য পাণিনিতঃ প্ৰাগ্ লেখনাৎ।" পণ্ডিতৰ এই উক্তি সম্পূৰ্ণ সঁচা, শ্লোকটোত চন্দ্ৰৰ নাম পাণিনিৰ নামতকৈ আগত আছে; কিন্তু দৰাচলতে চন্দ্ৰ পাণিনিতকৈ আগ নহয়। কাজেই, শ্লোকটোৰ নামবিলাক কালানুক্ৰমে সজোৱা নহয়। আৰু এটা কথা,—

বোপদেৱে নামবিলাক কালানুক্ৰমে সজাব পাৰিবলৈ, চন্দ্ৰৰ নামটো জানিছিল যদিও ব্যাকৰণখনৰ আবিৰ্ভাৱ কালৰ বিষয়ে আৰু আন আন বিষয়েৰো বিশেষ কিবা জানিছিল বুলি বিশ্বাস নহয়। কাৰণ, বোপদেৱে তেওঁৰ "কাব্যকামধেনু"ত সকলোবিলাক ব্যাকৰণৰে আলোচনা কৰিছে, কৰা নাই কেৱল এই "চান্দ্ৰব্যাকৰণ"ৰ। "চান্দ্ৰব্যাকৰণ"ত পাৰদৰ্শী হোৱা

হ'লে, কিংবা তাৰ বিষয়ে বিশেষ কিবা জনা হ'লে বোপদেৱে আন আন ব্যাকৰণৰ লগতে এইখনৰো যথোচিত আলোচনা কৰিলেহঁতেন।

স্বামীয়ে কৌ-টিল্য বা চাণক্যৰ গ্ৰন্থৰপৰা বাক্যাবলী উদ্ধৃত কৰিছে। অভিধানকাৰসকলৰ মতে কৌটিল্য আৰু চাণক্য একেজন মানুহ,

"কৌটিল্যশ্চণকাত্মজঃ"—হেমচন্দ্ৰ—৩।৫১৭।

—কেশৱস্বামী—৩।১৩৭।

পাণিনিয়ে এঠাইত চাণক্যক চণকৰ পুত্ৰ বুলি উল্লেখ কৰিছে। কিন্তু, চতুৰ্থ পৰিচ্ছেদত উল্লেখ কৰি অহা বৰ্ত্তমানে গৰ্গাদি ২৪৮-ৰ তলত কৌটিল্যক কুটিলৰ পুত্ৰ বুলি উল্লেখ কৰিছে। বোধ হয়, কুটিল আৰু চণকো একেজন মানুহ। স্বামীয়ে নাম ধৰি চাণক্যৰ উল্লেখ কৰিছে, কিন্তু ঠায়ে ঠায়ে কিছুমান বাক্য কৌটিল্যৰ (চাণক্যৰ) বুলি হে উদ্ধৃত কৰিছে। টীকাত উদ্ধৃত কৰা এই বাক্যবিলাক গদ্যত ৰচিত, এঠাইতহে মাথোন এটা অনুষ্টুপ্ ছন্দৰ চৰণ পোৱা যায়। স্বামীয়ে অৰ্থশাস্ত্ৰৰপৰাবো কিছুমান বাক্য উদ্ধৃত কৰিছে, এইবিলাকো গদ্যত ৰচিত (২৪)। এই অৰ্থশাস্ত্ৰখনৰ আজিকালি প্ৰচাৰ নাই বুলিলেবো হানি নাই। কিন্তু, শাস্ত্ৰখন যে অতি প্ৰাচীন সেই বিষয়ে সন্দেহ নাই। ৰঘুবংশৰ পঞ্চদশসৰ্গত কালিদাসে এই অৰ্থশাস্ত্ৰৰপৰা এটা শব্দ ধাৰ কৰিছে যেন লাগে। পঞ্চদশ সৰ্গৰ শ্লোকটো এই.—

যা সৌৰাজ্য প্ৰকাশাভিৰ্বভৌ পৌৰ বিভূতিভিঃ।
স্বৰ্গাভিষ্যন্দবমণং কৃত্বে বোপ নিবেশিতা ॥—২৯।

(২৪) মল্লিনাথে কৌটিল্যৰ (চাণক্যৰ) গ্ৰন্থৰপৰা যিবিলাক বাক্য উদ্ধৃত কৰিছে তাৰ প্ৰায়বিলাক গদ্যত লিখা। ৰঘুবংশৰ সপ্তদশ সৰ্গত থকা ৫৫ আৰু ৮১ শ্লোকৰ টীকাত পদ্যত লিখা বাক্য উদ্ধৃত কৰা দেখা যায়। ৫৫ শ্লোকৰ টীকাত আছে,—

অত্ৰ কৌটিল্যঃ—

"ক্ষীণাঃ প্ৰকৃতয়ো লোভং লুব্ধা যান্তি বিৰাগতাম্।
বিৰক্তা যান্ত্যমিত্ৰং বা ভৰ্ত্তাৰং ঘ্নন্তি বা স্বয়ম্ ॥"

আৰো ৮১ শ্লোকৰ টীকাত আছে,—

"দুৰ্ব্বলো বলবৎসেবী বিৰুদ্ধাচ্ছঙ্কিতাদিভিঃ।
বৰ্ত্তেত দণ্ডোপনতো ভৰ্ত্তৰ্য্যেৱমবস্থিতঃ ॥"—ইতি—কৌটিল্যঃ।



অৰ্থাৎ, সচ্চৰিত্ৰৰ ৰজাই পালন কৰাৰ গুণত নগৰবাসীৰ ঐশ্বৰ্য্য দেখি বোধ হ'ল, যেন স্বৰ্গত থাকিবলৈ ঠায়ে নটা দেৱতাসকলক আনি এই নগৰত উপনিবেশ পতা হৈছে।

এই শ্লোকটোৰ টীকাত মল্লিনাথে লিখিছে,—

"অত্ৰ কৌটিল্যঃ—'ভূতপূৰ্ব্বমভূত পূৰ্ব্বং বা জনপদং পৰদেশ প্ৰবাহেণ স্বদেশাভিষ্যন্দ বমনেন বা নিবেশয়েৎ' ইতি।"

ইয়াৰপৰাই অৰ্থশাস্ত্ৰৰ প্ৰাচীনত্ব উপলব্ধি হয়।

স্বামীয়ে টীকাত বাৎস্যায়ন মুনিৰ কথা উল্লেখ কৰিছে। বাৎস্যায়ন "কামসূত্ৰৰ" গ্ৰন্থকাৰ। তাহানিৰ আৰ্য্যসমাজত এই "কামসূত্ৰ"ৰ অশেষ সুখ্যাতি আছিল। কামসূত্ৰৰ কেইবাখনো টীকা আছে আৰু দণ্ডী বামণ আদিৰ নিচিনা অদ্বিতীয় লিখকেবো ইয়াৰ উল্লেখ কৰি গৈছে। পাশ্চাত্য পণ্ডিত Aufrecht চাহাবে এই "কামসূত্ৰ" আৰু নৰসিংহশাস্ত্ৰীয়ে ৰচা ইয়াৰ টীকা এখনৰ বিস্তৃত বিবৰণ লিখি থৈ গৈছে।

কামসূত্ৰৰ সবিশেষ বিবৰণ তাৰ পাতনিতে পোৱা যায়। কাজেই, সেই বিষয়ে একো নিলিখি পাতনিটোকে তলত তুলি দিলোঁ (২৫)। পাঠক-

(২৫) "শ্ৰীকৃষ্ণায় নমঃ ধৰ্ম্মাৰ্থকামেভ্যো নমঃ শাস্ত্ৰং প্ৰকৃতত্বাৎ তৎসময়ায় বোধকেভ্যশ্চাচাৰ্য্যেভ্যস্তৎসম্বন্ধাৎ। প্ৰজাপতিৰ্হি প্ৰজাঃ সৃষ্ট্বা তাসাং স্থিতিনিবন্ধনং ত্ৰিবৰ্গস্য শাসনমধ্যায়ানাং শতসহস্ৰেণাগ্ৰে প্ৰোবাচ। তস্যৈক দেশং স্বায়ম্ভুবো মনুৰ্ধৰ্ম্মাধিকাৰিকং পৃথক্ চকাৰ, বৃহস্পতিৰৰ্থাধিকাৰিকং মহাদেবানুচৰো নন্দী সহস্ৰেণাধ্যায়ানাং পৃথক্ কামসূত্ৰং প্ৰোবাচ, তদেব তু পঞ্চভিৰধ্যায় শতৈৰৌদ্দালকিঃ শ্বেতকেতুঃ সংচিক্ষেপ, তদেব পুনৰধ্যৰ্দ্ধেনাধ্যায়শতেন সাধাৰণ সাংপ্ৰয়োগিক কন্যা সংপ্ৰযুক্তক ভাৰ্য্যাধিকাৰিক পাৰদাৰিক বৈশিকোপনিষদিকৈঃ সপ্তভিৰধিকৰ বৈৰ্বাভ্ৰব্যঃ পাঞ্চালঃ সংচিক্ষেপ, তস্যৈকদেশং ষষ্ঠং বৈশিকমধিকৰণং পাটলিপুত্ৰিকাণাং গণিকানাং নিয়োগাদ্ দত্তকঃ পৃথক্ চকাৰ, তৎপ্ৰসঙ্গাচ্চাৰায়ণঃ সাধাৰণমধিকৰণং পৃথক্ প্ৰোবাচ, সুবৰ্ণনাভঃ সাম্প্ৰয়োগিকং ঘোটকমুখঃ কন্যাসংপ্ৰযুক্তকং গোণৰ্দীয়ো ভাৰ্য্যাধিকাৰিকং গোণিকাপুত্ৰঃ পাৰদাৰিকং কুচুমাৰ ঔপনিষদিকম্ এবং বহুভিৰাচাৰ্য্যৈস্তচ্ছাস্ত্ৰং খণ্ডশঃ প্ৰণীতমুৎসন্নকল্পমভবৎ। তত্ৰ দত্তকাদিভিঃ প্ৰণীতানাং শাস্ত্ৰাবয়বানামেকদেশত্বান্মহদিতি চ বাভ্ৰবীয়স্য দুৰধ্যেয়ত্বাৎ সংক্ষিপ্য সৰ্ব্বমৰ্থমল্পেন গ্ৰন্থেন কামসূত্ৰমিদং প্ৰণীতবানিতি বাৎস্যায়নঃ।"

পাঠিকাসকলে তাৰপৰাই সকলো বুজিব পাৰিব। পাতনিটো বেছ হৃদয়-গ্ৰাহী আৰু বুৰঞ্জীমূলক।

ইয়াৰ বাহিৰেও আৰু দুজনমান গ্ৰন্থকাৰ আছে, সময়ৰ অভাৱত তেওঁবিলাকৰ পৰিচয় দিব নোৱাৰিলোঁ, সময় মতে দিবলৈ চেষ্টা কৰিম। অমৰসিংহৰ জীৱনী, অমৰকোষৰ আন আন টীকা আৰু সংস্কৃত সাহিত্যৰ অন্যান্য অভিধানৰ বিবৰণ আদি আৰু লিখিবলগীয়া লাগতীয়াল কথা ভালেমান আছে। সময়মতে, তাৰে কিছুমান লিখিবৰ ইচ্ছা ৰ'ল, পাঠক পাঠিকাসকলৰ মঙ্গলময় আশীৰ্ব্বাদত এই ইচ্ছা সফল হ'ক।

শ্ৰীকৃষ্ণকান্ত সন্দিকৈ।

---

# বিজুলী।

মানুহে কয় মই বোলে বলিয়া। কিন্তু সেই বুলি কাৰোবাৰ অন্তৰত কৰুণাৰ কোমল বীণা মোৰ হকে কেতিয়াবা বাজি উঠিছেনে? সেই বুলি মোৰ দুখত কাতৰ হৈ কোনোবাই কেতিয়াবা এটুপি চকু-লো টুকি মোক শুধিছেনে, তুমিনো বলিয়া কিয়?' সকলো নিজ নিজ ভাব লৈ বিভোল, এই উন্মাদ-গ্ৰস্তৰ ফালে তো কোনেও উলটি নেচায়। বাৰু, মানিলোঁ মই উন্মাদ, কিন্তু শোধোঁ উন্মাদ প্ৰতিভাৰ বিকাৰ বা ৰূপান্তৰ নহয় নে? সংসাৰৰ যশস্বী অসাধাৰণ চিন্তাযুক্ত সকলো কাম এই মানসিক উন্মাদনৰ পৰা ওলোৱা নহয় নে? যিসকলে দিঠকত সপোন দেখে, অকল মিছা সপোন দেখা সকলোতকৈ তেওঁলোকৰ জ্ঞানৰ সীমা বেছি; তেওঁলোকে চকুৰ আগতে অনন্তৰ ছাঁয়াময় দৃশ্য দেখে, আৰু পৰম মহিমাময় ঈশ্বৰৰ সৃষ্টি ৰহস্যৰ আভাস পায়, পৰম পিতাৰ জলন্তমূৰ্ত্তিৰ ফালে চাই তেওঁলোকৰ চকু জলক্ তবক্ কৰে। মই নিজে শোধোঁ, বাৰু মই দিঠকতে সপোন দেখোঁ বুলি মই বাস্তৱিকতে পগলা নে? মইতো জানো যি 'মই পগলানে' বুলি আপোনা-আপুনি প্ৰশ্ন কৰিব পাৰে তেওঁ বাস্তৱতে পগলা নহয়, তেওঁ অতিচাৰ কল্পনাযুক্ত হে।



বাৰু ধৰা মই উন্মাদ। সেই অনুসাৰে মোৰ মানসিক জীৱনক দোছোৰাত ভগাব পাৰোঁ;—মোৰ বুদ্ধিবৃত্তি যেতিয়া খৰকালিৰ পৰ্ব্বতীয়া নিজৰাৰ দৰে তলিদেখা ফট্‌ফটীয়া হৈ আছিল, আৰু যেতিয়াৰেপৰা মোৰ বুদ্ধি আৰু চিন্তাশক্তি ছয়াময়া ধুবঁলাকুৱলীৰ দৰে হৈ আছে। সেইদেখি প্ৰথম ছোৱাৰ বিষয়ে যি কম তাক কাণ পাতি শুনি বিশ্বাস কৰিবা, আৰু পাছৰ ছোৱাৰ বিষয়ে তোমাৰ ইচ্ছা হলে বিশ্বাস কৰিবা, নাইবা সন্দেহ কৰিবা; কিন্তু কাৰো কৰিছোঁ, নকবা যে মই মিছলীয়া।

মোৰ যৌবনৰ প্ৰণয়সঙ্গিনী, মোৰ হৃদয়ৰ আকুল কামনাৰ প্ৰেমময় প্ৰতিমাৰ নাম আছিল বিজুলী। তেওঁ মোৰ স্বৰ্গীয়া জননীৰ প্ৰাণদিয়া সখীৰ একেটি সন্তান। মোক সংসাৰত একেবাৰে অকলশৰীয়া কৰি যেতিয়া মোৰ আইৰ লোকান্তৰ হয়, তেওঁৰ সখীয়ে মোক ভিক্ষা মাগি লৈছিল। তেতিয়াৰেপৰা মই তেওঁৰ লগতে।

আমাৰ ঘৰটি আছিল এটি সৰু পাহাৰৰ টিঙনিত। তাৰপৰা তলৰ তৈয়ামৰ ছবি ভালকৈ দেখা যায়। আমাৰ ঘৰৰ চাৰিও পাশে সৰু সৰু নানা বৰণীয়া ফুলৰ গছ আছিল। অৱশ্যে তাত নৰ-মানিচৰ হাত লগা নাছিল। বিধতাই যেন আমাৰ সেই নীৰলা ঘৰটিক তুলি ধৰিবলৈ সেই ঠাইত সেই ফুলৰ সৃষ্টি কৰিছিল। সেইদন্ত সেই গিৰি-কাননৰ আমি নাম দিছিলোঁ চিত্ৰাকুঞ্জবন। তাত মানুহৰ সমাগম নাছিল। মানুহৰ আবাসৰ পৰা তালৈ যাবলৈ হলে বহুত জোপোহা বন ভাঙ্গি বহুত সুন্দৰ ফুলৰ গৌৰব ভৰিৰে নষ্ট কৰি ঐথুজি দুখুজিকৈ যাব লাগে। মোৰ আইৰ সখীয়ে—মোৰ আয়ে—সংসাৰৰ সুখ সমৃদ্ধি জন সমাগমৰপৰা আঁতৰি এই নিভৃত গিৰি-নিকুঞ্জত আমাক দুয়োকে সাৱটি সৰল ভাৱে নিজৰ দুখ হিয়াতে মাৰ নিয়াই চুকু-পানী টুকি জীৱন যাপন কৰিছিল।

পাহাৰৰ তলতে এখনি সৰু নৈ বৈছিল; -চিত্ৰা কুঞ্জবনৰ দৰে নীৰৱ, পাহাৰৰ গাত এধাৰি মুকুতাৰ মালাৰ দৰে উজ্জল;—কিন্তু মোৰ বিজুলীৰ চকুৰ দৰে উজ্জল নাছিল। আমি ইয়াৰ নাম দিছিলোঁ 'নিমাতী নিজৰা'। তাত আমাৰ নীৰৱ জীৱন-প্ৰবাহৰ যেন এটি চিত্ৰ দেখিছিলোঁ। কেতিয়াবা আমি দুয়ো পাহাৰৰ গাত দি বগাই আহি এই নিজৰাৰ ফালে একেথৰে চাই

থাকোঁ, [illegible] কিৰণ পানীয়েদি ভেদি নৈৰ তলিত থকা শিলগুটিবোৰৰ ওপৰত [illegible] সিইতক উজ্জল কৰি তোলে। সিইতেও নীৰৱ নিশ্চল হৈ কিৰণৰ [illegible] নহি থাকে।

চিত্ৰা[illegible]বনৰ [illegible]ৱিও পাশে পাহাৰৰ গাত নৈৰ দাঁতিত মই বিজুলীৰ লগত [illegible] বছৰ কাল ফুৰিছিলোঁ। এদিনাখন গধূলি, সেই নিমাতী নিজৰাৰ [illegible]তিত,—বিজুলী তেতিয়া যৌৱন বসন্তত বিকশিত, মযো তেনে,— দেখিলোঁ অজ্ঞানে আমি দুয়ো আলিঙ্গনত আবদ্ধ। সেই নিজৰাৰ ফটফটীয়া পানীত [illegible]মাৰ যুগল মূৰ্ত্তি দেখা পালোঁ। আলিঙ্গন পাশ শিথিল হৈ আহিল। সেইদিনা [illegible]তি আৰু আমাৰ [illegible]থাবাৰ্ত্তা নহল, তাৰ পাছদিনা পুৱাও আমাৰ মাত কঁপিবলৈ ধৰিলে, কথাও আন দিনাখনৰ তুলনাত অতি কমহে কোৱা হৈছিল। প্ৰণয়ৰ দেৱতা আহি আমাৰ কণ্ঠ আমাৰ চকু আমাৰ সকলো গতি-[illegible] ঠাই ললেহি। সেই চিত্ৰাকুঞ্জবন আমাৰ মনত অমৰাৱতী যেন হল, সেই নিমাতী নিজৰা স্বৰগৰ প্ৰেমবাহিনী মন্দাকিনী নৈ হল। নয়নত প্ৰণয়ৰ [illegible] সানি গছ-লতা-নৈ গিৰি-শৈয়াম সকলোকে আমি নতুন ভাৱে [illegible]লৈ ধৰিলোঁ। সকলোতে তেতিয়া এটি নতুন চিত্ৰ দেখিলোঁ, সকলো যেন এটি অনন্ত আবেগৰ অনন্ত বিকাশ। ফুল নোহোৱা গছকো ফুলৰে জকমক হোৱা যেন পালোঁ; শৈয়ামৰ সেউজীয়া ঘাঁহৰ ওপৰত প্ৰকৃতিয়ে [illegible] আমাৰ আবেগৰ কুশাসন পালোঁ, চৰাই চিৰ্কতিয়েও নতুন ৰূপ ধৰিলে। এইদৰে বছৰ চেৰেক নীৰৱে অতিবাহিত হল।

বিজুলী লাৱণ্য তপোবনৰ মুনিকন্যা সকলৰ দৰে আছিল। মই বিজুলীক সৰগৰ [illegible]পেচৰা বুলি নকওঁ, কাৰণ সৰগৰ অপেচৰাৰ অপৰূপ সৌন্দৰ্য্য-মাধুৰী [illegible] চা, কিন্তু তাত থকা দু-এ পালসাতকৈ তপোবনৰ ইঙ্গুদী [illegible] ঋষিকন্যাৰ স্মিমিত আবেগ মোৰ চকুত বেছি [illegible] লাগে। অপেচৰাৰ যেশময় চিত্ৰিত সৌন্দৰ্য্যতকৈ মুনি-[illegible] লাৱণ্য মোৰ বেছি ভাল লাগে। মোৰ বিজুলী চিত্ৰাকুঞ্জবনৰ [illegible] সৰল অজান আৰু পবিত্ৰ আছিল। তেওঁৰ [illegible] মোৰ দুয় চকু মুখত তাৰ অবিকৃত প্ৰতিবিম্ব ফুটি [illegible] হৃদয়ৰ নিগূঢ় আবেগ কতদিন মোৰ আগত দাঙি



ধৰিলে, সেই গিৰিকাননৰ প্ৰত্যেক গছ প্ৰত্যেক ফুলে আজিও তাক হয় বুলি কব।

কিন্তু হায়, ক'লে কি হব! ফুলৰ জীৱনৰ দৰে মোৰ বিজুলীৰ জীৱনো ক্ষন্তেকীয়া হব লগীয়া আছিল। এদিন উচুপি উচুপি বিজুলীয়ে সেই অনিবাৰ্য্য অন্তিম অৱস্থাৰ কথা ক'লে; তাৰ পাছৰেপৰা সকলো কথাবাৰ্ত্তাতে সেই ভাব বিৰিঙ্গিবলৈ ধৰিলে।

অন্তকৰ মূৰ্ত্তি তেওঁ সপোনত দেখিবলৈ ধৰিলে। কিন্তু মৃত্যুৰ বিভীষিকা এটি আশঙ্কাত মাথোন বৰকৈ ওলাইছিল। এদিন সাঁজৰ ছায়াত নীৰৱ নিজৰাৰ দাঁতিত তেওঁ মোক সেই আশঙ্কাৰ কথা ভাঙি ক'লে,—"মোৰতো জীৱন-লীলা শেষ হৈ আহিল। এই গিৰিৰ কোনো এটি নীৰলা কোণত মোৰ দেহ সংকাৰ কৰি তুমি চিৰকাললৈ এই চিত্ৰাকুঞ্জবন ত্যাগ কৰিবা। আৰু মই অভাগিনী অপাত্ৰত অপব্যয় কৰা তোমাৰ প্ৰণয় সংসাৰৰ আন এটিত থাপিবা"। বিজুলীৰ ভৰি দুখা'ন সাৱটি মই কলোঁ,—

"তুমি দেৱী। তুমি মোক স্বৰ্গসুখৰ অধিকাৰী কৰিছা। দেৱি! তোমাক আৰু ঈশ্বৰৰ আগত বাধি অঙ্গীকাৰ কৰিছোঁ যে মৰতৰ কোনো জীয়াৰীৰ সৈতে মই প্ৰেম-পাশত আবদ্ধ নহওঁ। জীৱনত মাথোন এবাৰহে ভাল পাব পাৰি।"

মই সৰ্ব্বজ্ঞ সৰ্ব্বদৰ্শী ঈশ্বৰক মোৰ অঙ্গীকাৰ বাণীৰ প্ৰমাণ চাবলৈ প্ৰাৰ্থনা কৰিলোঁ, যদি কেতিয়াবা সেই অঙ্গীকাৰ ভঙ্গ হয় মোৰ ওপৰত যেন বিশ্ব-ব্ৰহ্মাণ্ডৰ অভিশাপ পৰে।

মোৰ গহিন প্ৰতীক্ষা দেখি বিজুলীৰ চকুযুৰি উজ্জল হৈ উঠিল। তেওঁ এটি দীঘল হুমুনীয়াহ কাঢ়িলে, যেন বুকুৰপৰা এটি গধুৰ বোজা নমাই নিয়া হল। তেওঁ কঁপি উচুপি মোৰ বুকুত মূৰ থৈ তালেখিনি পৰ কান্দিলে। এই বিভোপন সংসাৰ, এই মধুৰ প্ৰেম, এই হাঁহিসনা যৌৱন-বসন্ত সকলোকে এৰি যাব লগতে পৰিল। কিন্তু মোৰ অঙ্গীকাৰ বাণীত তেওঁ অলপ সান্ত্বনা পালে, আৰু তেওঁৰ মৃত্যু-শয্যাও অলপ ভয় নোহোৱা যেন হল। দিনদিয়েকৰ বাদে এদিন তেওঁ কলে,—"প্ৰাণ, মই তো আহিলোঁ। মোৰ আত্মাৰ শান্তিৰ কাৰণে তুমি যি অঙ্গীকাৰ কৰিলা, তাৰ বাবে মই তোমাক

নিতৌ ৰখি থাকিম। যদি সম্ভৱ হয় নীৰৱ নিতাল নিশা মাজে মাজে মোক তুমি দেখাও পাবা। যদি ইয়ো অসম্ভৱ হয়, মই যে তোমাক চকুদি নিতৌ তোমাৰ কাষতে আছোঁ তাৰ সঙ্কেত পাই থাকিবা"। এই বুলি কোৱাৰ পাছত নিয়তিৰ দুৱাৰ উজ্জ্বল কৰি বিজুলীৰ চকুৰ একোণত এটি আনন্দৰ ৰেখা জিলিকি উঠিল। স্বৰ্গ-দূতৰ ধূপ ধূনাৰ গন্ধ পালোঁ। তাৰ মুহূৰ্ত্তৰ পাছতে শৰীৰ অৱশ হৈ আহিল, বিজুলীৰ দেহৰপৰা অনিচ্ছা স্বত্বে যেন আতমা অনন্তৰ ফালে উৰি গুচি গল।

বিজুলীৰ অন্তৰ্দ্ধানৰ লগে লগে মোৰ জীৱন-নাটৰ প্ৰথম অঙ্কৰ যৱনিকা পৰিল।

তাৰ পাছত মোৰ জীৱনৰ দ্বিতীয় অঙ্কৰ সূত্ৰপাত হ'ল। ইয়াৰ পাতনিৰ লগে লগে মই গম পাইছোঁ মোৰ চিন্তা-শক্তি ডাৱৰৰ কলীয়া আৱৰণৰ তল পৰি আহিছে। গতিকে মই বিশ্বাস নকৰোঁ যে এই দ্বিতীয় ছোৱা কাহিনী স্থিৰ চেতনাৰে লেখিব পাৰিছোঁ। বাৰু যি হওক কওঁ শুনা।—

বিজুলী আঁতৰাৰ পাছত দুখ বেজাৰত ভালেটি বছৰ অতীত স্মৃতিৰে মেৰ-খোৱা সেই চিত্ৰাকুঞ্জবনতে কটালোঁ। সেই ঠাইৰ ওপৰত কি এটি মায়া সোমাইছিল যে তাক এৰিম বুলিও এৰিব নোৱাৰিলোঁ। কিন্তু তাৰ সকলো বস্তুৰে মই দ্বিতীয় বাৰ ৰূপান্তৰ লক্ষ কৰিলোঁ। সেউজীয়া ঘাঁহৰ ওপৰত হালধীয়া আৱৰণ পৰিল, গছৰ ফুল শুকাই যাবলৈ ধৰিলে, এনে কি সেই নিমাতী নিজৰাৰো কিবা এটি বিজাতৰীয়া আবেগত কুলকুল কৰিবলৈ ধৰিলে। এচাটি নিদাৰুণ ধুমুহা বতাহে যেন চিত্ৰাকুঞ্জবনৰ সকলো সৌন্দৰ্য্য সকলো মাধুৰী চকুৰ পচাৰতে মোহাৰি পেলালে।

প্ৰাণৰ বিজুলীয়ে মোক যি আশা দি গৈছিল, মই তাক হাতে হাতে ফলিবা পালোঁ।—কাৰণ মই সদাই সৰ্গৰ দূতসকলৰ ধূপ-ধূনাৰ গন্ধ পোৱা যেন অনুমান কৰিছিলোঁ, আৰু মাজে মাজে সেই সাত্বিক গোন্ধ ভৈয়াম বিয়পিপৰা যেনো পাইছিলোঁ। মাজ নিশা কাৰোবাৰ পদাৰ্পণ শুনি মই চকখাই উঠাও মনত পৰে। মাথোন এবাৰ—এবাৰহে মাথোন—মোৰ তন্দ্ৰালস আকুল ওঁঠ দুখনিৰ ওপৰত কাৰোবাৰ নীৰৱ চুমা এটি অনুভৱ কৰিছিলোঁ। কিন্তু এই স্বৰ্গীয় প্ৰেমৰ এটি মাথোঁ স্মৃতি চুমা পাই সেই প্ৰেম



পূৰ্ণ পৰিমাণে ভোগ কৰিবলৈ মোৰ হৃদয় চঞ্চল হৈ উঠিল। শেহান্তৰত বিজুলীৰ সোঁৱৰণিৰে চিত্ৰাকুঞ্জবনত থকাটো মোৰ বিহ যেন লাগি আহিল। —গতিকে সেই শোকাকুল গিৰি-ভৈয়াম এৰি তুমুল আড়ম্বৰৰ চিত্ৰ সংসাৰত আহি পুৰণি অতিথিৰ দৰে পুনৰ প্ৰবেশ কৰিলোঁ।

মই এখনি নতুন চহৰত সোমালোঁ। চিত্ৰাকুঞ্জবনৰ স্মৃতি অন্তৰৰপৰা সমূলকে মচি পেলাবলৈ তাত বহুত উপাদান আছিল। ৰজাঘৰীয়া আড়-ম্বৰ, সৈনিকৰ সমৰ সজ্জা আৰু সেই ঠাইৰ তিকতাৰ অপৰূপ সৌন্দৰ্য্য দেখি মোৰ হৃদয় পুনৰ মতলীয়া হল; কিন্তু তেতিয়ালৈকে মোৰ ভীষণ অঙ্গীকাৰ মই পালি আছিলোঁ; আৰু নিজম মাজনিশা কেবাবাৰো বিজুলীৰ ছয়ামযা অস্তিত্বৰ প্ৰমাণ পাইছিলোঁ। কিন্তু লাহে লাহে মই সকলো পাহৰিলোঁ, চকুৰ আগত জগৎ এন্ধাৰ দেখিবলৈ ধৰিলোঁ। হৃদয়ৰ এনে ন ন পৰিবৰ্ত্তন দেখি মই নিজে তবধ মানিলোঁ; নগৰীৰ প্ৰলোভনত পৰি মই কক্‌বক্ কৰি-বলৈ ধৰিলোঁ। কাৰণ, সেই নগৰলৈ অতি দূৰ নজনা দেশৰপৰা অহা এগৰাকী যুৱতীৰ প্ৰেমপাশ মই শত যত্নেৰেও এৰাব নোৱাৰিলোঁ। বিজুলীৰ নিজম শান্ত সৌন্দৰ্য্য; আৰু মোহিনীৰ সৰ্ব্বজয়ী লাবণ্য যাৰ কাৰণে মই তেওঁৰ চৰণত চকুলোৰে আত্মবিসৰ্জ্জন কৰিছিলোঁ—তুলনাত দুয়োৰে ভিতৰত এটি অভিনৱ সামঞ্জস্য পালোঁ। দুয়ো যেন একেজন খনিকৰৰ একে কল্পনাৰপৰা ওলোৱা দুখনি প্ৰতিমা মাথোন। মোহিনীৰ চকু দুটি একেথৰে চাই থাকিলে মোৰ হৃদয়ত দুটি উজ্জ্বল নয়নৰ স্মৃতি জ্বলি উঠিছিল।

মোৰ বিয়া হৈ গল। মই নিজে নিমন্ত্ৰণ কৰা অভিশাপৰ তো শুং সূত্ৰকে দেখা নেপালোঁ। কিন্তু এবাৰহে মাথোন—মাথোন এবাৰ—বহুত দিনৰ মূৰত মোৰ খিলিকিয়েদি দুটিমান হুমুনিয়াহ অহি অন্তৰত স্মৃতিৰ দাবানল জ্বলাইছিল। মই সেই নিজম নিতাল নিশা সেই হুমুনিয়াহৰ লগে লগে যেন কোনো চিনাকী কণ্ঠৰপৰা এই মঙ্গল বাণীও শুনিছিলোঁ,—

"শোৱাঁ, লাহৰী শান্তিৰে শোৱাঁ। প্ৰণয় সদাই সকলো ঠাইতে জয়ী। মোহিনীক তোমাৰ প্ৰেমাকুল হৃদয়ৰ এচিতীয়া অধিকাৰিণী কৰাৰ বাবে তোমাৰ কোনো দোষ হোৱা নাই, আৰু বিজুলীৰ আগত কৰা অঙ্গীকাৰৰো বাস্তৱতে লঙ্ঘন হোৱা নাই। ইয়াৰ প্ৰকৃত কাৰণ স্বৰ্গত জানিব পাৰিবা।

সম্প্ৰতি ইয়াকে জানিবা যে বিজুলীৰ গাত থন্তেকীয়া জেউতি, মোহিনী আজীবন কালেই মোহিনী।"

শ্ৰীসূৰ্য্যকুমাৰ ভূঞা।

---

# সৌন্দৰ্য্য আৰু বিনাশ।

( দ্বিতীয় ভাগ )

( ১ )

মবয় মলয় কিয় বিৰ্ বিৰ্ কৈ
 ছুপবৰ প্ৰণৰ বদত ;
মুকুলে পঞ্চম কিয় পুখুৰী মাজত
 আৰু আহা ফুল ফুলনিত।

( ২ )

নানাচে নাগায় কিয় বিহগ বিহগী
 সুমধুৰ নানা সুৰ ধৰি ;
মাজে মাজে কাউৰীয়ে কঠুৱা শবদে
 কিয় মাতে গছে গছে উৰি ;

( ৩ )

নোলায় দিনত কিয় জোনাকী পৰুৱা
 ক্ষণে ক্ষণে কৰে চিকিমিকি ;
অগণন তৰা কিয় নজ্বলে গগনে—
 চন্দ্ৰমাই নিদিয়ে ভুমুকি।

( ৪ )

ছুপৰ নিশাত কিয় ঘোৰ আন্ধাৰত
 দেখা দিয়ে ভীষণ পক্ষীয়ে ;
মাতে কিয় বৈ বৈ কঁপাই হৃদয়
 ফেঁচা, হুদু, যম ডাকিনীয়ে।

(Adapted from Edgar Allan Poe's "Eleonora")



( ৫ )

নিদিয়ে কুলিয়ে দেখা নাগায় কিয়বা
 বৰ্ষা শীত শৰৎ কালত ;
গছ বননিয়ে কিয় একেটি কালতে
 বিৰাজেহি নতুন সাজত।

( ৬ )

কিবা অৰ্থ ইসবৰ আছে কি ৰহস্য
 প্ৰকৃতিৰ আঁৰত লুকাই ;
নিহিত কি তত্ব সিটো সুবুজে কোনোৱে
 কোনেৱে কি নিদিয়ে বুজাই।

( ৭ )

( কভা ) স্বয়ং প্ৰকৃতিয়ে দেখোঁ গম্ভীৰ নিনাদে
 ব্ৰহ্মাণ্ডক দিছেহি বুজাই ;
সৌন্দৰ্য্য সোন্দৰ্য্য মাথোঁ সৌন্দৰ্য্যৰ হেতু
 প্ৰকৃতিয়ে ৰৰণ সলায়।

( ৮ )

সিকাৰণে মনোৰম পুৱাত নিশাত
 পক্ষীসৱে নাচে উলাহেৰে ;
সুন্দৰ ফুলেও ফুলি ফুলনি বননি
 মৰতক আতিষ্কাৰ কৰে।

( ৯ )

সি কাৰণে কাউৰীয়ে কঠুৱা শবদে
 ছুপৰৰ সৌন্দৰ্য্য বঢ়ায় ;
কিৰূপে মিলিছে চোৰাঁ কাউৰীৰ মাত
 আৰু সেই ছুপৰ সময়।

( ১০ )

সিকাৰণে দেখা যায় জোনাকী পৰুৱা
 উৰিফুৰা মাথোঁ আন্ধাৰত ;

নাবাঢ়ে সৌন্দৰ্য্য তাৰ নাবাঢ়ে কদাপি
যদি সিটো ওলায় দিনত।

( ১১ )

সিকাৰণে ভয়ঙ্কৰ গভীৰ নিশাত
ভয়ঙ্কৰ বিহঙ্গ ওলায়।
সঘনে কিৰিলি দিয়ে ভীষণ শবদে
ভীষণৰ সৌন্দৰ্য্য বঢ়ায়।

( ১২ )

সিগুণে নোলায় কুলি আন সময়ত
ওলায় মাথোন বসন্তত,
নতুন সাজেৰে সাজি গছ বননিও
আদৰিছে অমিয়া প্ৰেমত।

( ১৩ )

বিশ্বৰ নিয়ম ইটো সৌন্দৰ্য্য বঢ়ায়
নিজৰূপ সঘনে সলাই;
তেন্তে কিবা দোষ আছে সৌন্দৰ্য্যতে মাথোঁ।
অৰপিম জীৱন সদাই।

( ১৪ )

দেখিম যেতিয়া আহা বুৰেঁ। বুৰেঁ। হয়
লাহে লাহে আবেলিৰ বেলি;
কি কাচনে কাচি আহা আচল কঁপাই
বননিয়ে আদৰে গধুলি।

( ১৫ )

হিয়া মোৰ আনন্দত উঠিব উথলি
সৌন্দৰ্য্যৰ মৃদু বতাহত;
থাকিব উথলি হিয়া যদিও সৌন্দৰ্য্য
লীন হয় ঘোৰ আন্ধাৰত।



( ১৬ )

দেখিম যেতিয়া সেই সুবিমল জোনে
আকাশত ভ্ৰমিব অকলে;
বঙত বিভোৰ হব সৰে মৰতত
প্ৰকৃতিয়ে থাকিব নিৰলে।

( ১৭ )

ঢালি দিম প্ৰণ মন চাম একেৰাহে
অপৰূপ ৰূপ ভুবনৰ;
আপোন পাহৰি হম লীন সৌন্দৰ্য্যত
নাথাকিব ছাঁও বিষাদৰ।

( ১৮ )

দেখিম যেতিয়া সেই মোহিনী প্ৰতিমা
সুকোমল নৱ সমাজত;
চকুৰ চাওনি আৰু অমিয়া হাঁহিটি
বিতোপন লাৱণ্য মুখত।

( ১৯ )

মুগ্ধ হম ক্ষন্তেকতে জগত ব্ৰহ্মাণ্ড
সকলোটি হব বিস্মৰণ;
দেখিম ৰূপকে মাথোঁ। চিন্তিম ৰূপকে
ৰূপে হব মোৰ প্ৰাণ মন।

( ২০ )

নকৰোঁ। অলপো খেদ ভাবি ক্ষন্তেকীয়া
ক্ষন্তেকতে যদি লয় পায়;
ক্ষন্তেকীয়াৰ অৰ্থ আছে হক ক্ষন্তেকীয়া
সিবাবে বিষাদ নাই নাই।

( ২১ )

ক্ৰিয়ে আহা লীলা কৰে লয় সৌন্দৰ্য্যই
পিতৃ আৰু মাতৃৰ স্নেহত;

কিযে আহা অদভুত মৰম বান্ধনি
ববষিছে সুখ সংসাৰত।

(২২)

নাথাকে সি চিৰকাল শুনো মাজে মাজে
সকৰুণ দুখৰ বিননি;
শোকত বাউলী হৈ কান্দে বিধৱাই
জ্বল উঠে বিষাদ অগণি।

(২৩)

সুখৰ দুখৰ ঢৌ সঘনে উথলে
প্ৰেমময় মধু সংসাৰত;
ঢৌৰকে বিনাশি ঢৌৱে লীলাখেলা কৰে
বিলায় সৌন্দৰ্য্য সাগৰত।

(২৪)

মৰম বিনাশ আহা কিযে মনোহৰ
অতুলন অপৰূপ লয়;
তাৰ অৰ্থে আজি এই পবিত্ৰ সংসাৰ
দেখোঁ আহা সুখৰ আলয়।

(২৫)

মৰণ মৰণ তই আনন্দমূৰতি
দেখা দিব যনে মৰতত;
সাগৰি হাতেৰে লৈ আনন্দে মিলাব
সৌন্দৰ্য্যৰ কিনো সমুদ্ৰত।

(২৬)

জানে যদি তোক সৱে আনন্দৰ হেতু
সংসাৰৰ সুখৰ কাৰণ;
তেন্তে কিবা ভয় আছে আহিলে মৰণ
মহানন্দে কৰা আলিঙ্গন;

শ্ৰীজ্ঞাননাথ বৰা।



## বৰুৱা।

এবাৰ অসম বজাই এখন ভোজ পাতি সকলো বৰুৱাক তলৈ নিমন্ত্ৰণ কৰিলে। বজাই নিজে আগত থাকি থেলে থেলে বৰুৱাসকলক বহুৱাইছে। এফালে বৰবৰুৱা, এফালে বেজবৰুৱা, এফালে হাতীবৰুৱা, এফালে ঘোৰাবৰুৱা, এফালে কাঠবৰুৱা আৰু এফালে অকল বৰুৱাসকলক। সকলোৱে খাবলৈ ধৰিছে এনেতে কৰবাৰপৰা এটা গুৰবৰুৱা উৰি আহি সেই সমাজৰ মাজতে পৰিলহি! সকলোৱে ছিঃ ছিঃ কৰিবলৈ ধৰিলে। বজাই কলে-- "ইমান ঘিণ কিয়? বৰুৱাৰ লগতে বৰুৱা আহিছে, ভাল কথাহে আৰু! তোমালোকক মই মাতিহে আনিছোঁ, সি তো বেচেৰা নমতাকৈয়ে আহিছে। মোৰ উচিত মই তাক বেছি সমাদৰ কৰা।"

এম, মোছলেহউদ্দিন আহমদ।

---

## এখন চিঠি।

পঞ্চম বছৰৰ দ্বাদশ সংখ্যা, কাতি মাহৰ বাঁহীত বৰএলেঙ্গি সত্ৰৰ চিঠি এখনি পাই সকলো কথা অৱগত হোৱা হল। দুটামান কথাত আশঙ্কা লাগিল। গোসাঁয়ে লেখিছে যে আমি বৰবাৰেজনীয়া মহন্ত নহওঁ। তেন্তে তেৰা নো কোন শ্ৰেণীৰ? আমি যতদোৰ পুথিপাজি দেখিলোঁ এটাইবিলাকতে তেওঁলোকক বৰবাৰেজনীয়া বোলাহে পোৱা গল। তেওঁলোকৰ বৰত কোন চৰিত্ৰ আছে তাক আমি নেজানোও আৰু এবদীয়া মানুহৰ চৰিত্ৰত আমাৰ আৱশ্যকও নাই কোনো চৰিত্ৰত শঙ্কৰদেৱে সতানন্দক লগ পোৱা কথা আমি পোৱা নাই। যদি লগ পালেহেঁতেন, এখন নহয় এখন পুথিত লেখিলেহেঁতেন। আৰু তেওঁ শঙ্কৰদেৱৰ দিনৰ হোৱা হলে কিজানি শঙ্কৰদেৱে যেনেকৈ দামোদৰদেৱক, হৰিদেৱক, ৰাম ৰাম গুৰুক আজ্ঞা দিছিল তেনেকৈ সতানন্দকো আজ্ঞা দি মহন্ত পাতিলেহেঁতেন। শঙ্কৰদেৱৰ পাছত মাধদেৱে ২৮ বছৰ ধৰ্ম্মপ্ৰচাৰ কৰে। অৱশেষত মাধদেৱে এবাৰ ১২ জন এবাৰ ৯ জন মোট ২১ জন মহন্ত পাতে। সতানন্দদেৱ শঙ্কৰদেৱৰ দিনৰপৰা ভকত হোৱা

হলে মাধদেৱে পতা মহন্ত ২১ জনৰ লগত এওঁকো এজনা মহন্ত পাতি থলেহেঁতেন। এইটো ভাবি আশঙ্কা হল, তিনি পুৰুষৰ পাছত পুৰুষোত্তমৰ আজ্ঞা লৈ তেওঁ মহন্ত নহলহেঁতেন।

সত্যানন্দদেৱ যদি আমাৰ দেশৰ বৰ সৰু ৰাৰভূঞাঁৰ ভিতৰৰ ল'ৰা নহয়, তেওঁ যদি এখনদেশৰপৰা পুজি অনা কায়স্থ ল'ৰা হয়, তেনেহলে তেওঁ কিবা ৰাজকীয় কৰ্ম্মত নিযুক্ত হৈছিল নে? যদি হৈছিল তেন্তে কি কৰ্ম্মত নিযুক্ত আছিল সেই কালৰ কিবা বঞ্জাৰপৰা বৃত্তি বিধান পোৱা কথা কোনোবা চৰিত্ৰত লেখা পোৱা যায় নে? বা মহন্তদেৱৰ ঘৰত কিবা সম্পত্তিহে আছে? কিন্তু আমাৰ বোধ ধৰে শঙ্কৰদেৱ আৰু মাধদেৱৰ লগত আৰু আন আন মহন্তসকলৰ লগতো ধনী মানী আঢ্যৱন্ত চহকি ৰাজকৰ্ম্মকাৰী এনেবিলাক ভকত হোৱা মান নধৰে। মাধৱদেৱ, ৰামদাস, মনপুৰ ইত্যাদি সকলোবিলাক দুখীয়া দৰিদ্ৰকে হে পোৱা যায়। বৰ্ত্তমান কালতো সত্ৰবাসী ভকতবিলাকৰ ভিতৰত ধনী মানী বৰুৱা ফুকন ইত্যাদিৰ ল'ৰা নাই বুলিলেও অত্যুক্তি নহয়। যদিও কাচিৎ এজন আছে তেওঁ কোনো বিশেষ কাৰণত হে আছে।

পুৰুষোত্তমে শোধাত সত্যানন্দই এনেদৰে উত্তৰ দিছিল।—

"পেন পেনি কাঠ বংশে জনম হইল।
পিতৃ মাতৃ মোৰ নাম জপৰা ৰাখিল॥
জপৰাভকত বুলি মাতে সৰ্ব্বজন।
কৃষি ভিক্ষা কৰি কৰো পেট প্ৰবৰ্ত্তন॥
ক্ষতৰোগে মোক বাপ কৰিছে পীড়ন।
ব্ৰাহ্মণৰ বাক্যে কৰো সূৰ্য্য আৰাধন॥
দুই বৰ্ষ জলে নামি মন্ত্ৰক জপিলো।
তথাপিয়ো অল্পমাত্ৰ ফল নপাইলো॥
আগে আছিলেক ক্ষতৰোগ যেন তেন।
আবে জল লাগি হইলেক পেন পেন॥
নোহো ধনী আঢ্যৱন্ত বংশ বড় ৰাৰ।
দুঃখীয়া দৰিদ্ৰ ঘৰে জনম আমাৰ॥"



এই চৰিত্ৰ বাঁহ-জেঙনি এলেঙ্গি সত্ৰৰপৰা পোৱা অবিকল-নকল। পুৰুষোত্তমে শুধিলে সত্যানন্দ, তোমাৰ কেই পুত্ৰ আৰু জীবিকা নিৰ্ব্বাহ কোনকৈ কৰা? তেওঁ কলে "বাপ, আমাৰ চাৰি পুত্ৰ, বৰটিৰ নাম জয়, সৰুটিৰ নাম তাহি, তাৰ পাছৰটিৰ নাম মহাই, নিচেই সৰুটিৰ নাম চিয়াই।"

"জপৰা আতৈ, আপুনি আৰু পূজা সেৱা কৰিব নেলাগে, কলিযুগত ৰাম নামেই সাৰ বস্তু, অতএব আপুনি আমাৰ ওচৰত একশৰণীয়া হৈ ঈশ্বৰৰ চৰণত ভক্তি কৰক। ৰোগৰপৰাও মুক্তি পাব আৰু দুখৰপৰাও মোচন হব।" ইয়াকে শুনি জপৰা ভকতে পুৰুষোত্তমৰ ওচৰত শৰণ লৈ গুৰুক পৰিচৰ্য্যা কৰাত গুৰুৱে সন্তুষ্ট হৈ তেওঁক বৰ ভকত বোলে আৰু শৰণ লগাই সত্যানন্দ নাম ৰাখে। পাছত তেওঁকে পুৰুষোত্তমে মহন্ত পাতে। এওঁৰ চাৰিজন পুত্ৰক শৰণ লগাই চাৰিওজনৰ ঠাকুৰদেৱে নাম সলায়। বৰটিৰ নাম অৰ্থাৎ জয়ৰ নাম জয়কৃষ্ণ, তাহিৰ নাম তাহিকৃষ্ণ, মহাইৰ নাম মহাকৃষ্ণ, সৰুটি চিয়াইৰ নাম শ্ৰীকৃষ্ণ দিয়ে। বাপেক মহন্ত হল দেখি পুতেক কেজনো মহন্ত হল। জয়কৃষ্ণকে ওৰফে বাপুকৃষ্ণও বোলে। এওঁয়েই এলেঙ্গি সত্ৰ স্থাপনা কৰে। প্ৰকৃতপক্ষে যদি পুৰুষোত্তমে মহন্ত পতা নাই তেনেহলে কোন চৰিত্ৰ পুথিৰ মতেৰে এলেঙ্গি সত্ৰক কোনে মহন্ত পাতিলে তাৰ একো সিদ্ধান্ত কৰিব নোৱাৰি। সত্যানন্দ মহন্ত হল দেখি তেওঁৰ পুত্ৰকেইটিও মহন্ত হল। পুৰুষোত্তম ঠাকুৰদেৱে বাপুকৃষ্ণকে আদি কৰি ১২ জন মহন্ত পাতে, অৱশেষত উক্ত পুৰুষোত্তমৰ বছেৰেকীয়ালৈ চতুৰ্ভুজ ঠাকুৰে উক্ত ১২ ঘৰ মহন্তক নিমন্ত্ৰণ দিয়ে। সকলো মহন্তই নিমন্ত্ৰণ গ্ৰহণ কৰি চতুৰ্ভুজ ঠাকুৰৰ ঘাটত নাও বান্ধি—কৌচেঙ্গিয়া মহন্তক দূত স্বৰূপে এই কথা কৈ চতুৰ্ভুজ ঠাকুৰৰ ওচৰলৈ পঠালে যে আমাক আগ বঢ়াই নিবহি লাগে আৰু তেওঁৰ আগত বহিবৰ কাৰণ বিছনা লাগে। এই কথা চতুৰ্ভুজ ঠাকুৰে শুনি দিবলৈ স্বীকাৰ কৰে। দূতৰূপী কৌচুঙ্গিয়া আতাই চতুৰ্ভুজ ঠাকুৰক বুজাই এই কথা কলে। "বাপ, আপোনাৰ ওচৰত তেওঁবিলাকে মৰ্য্যাদা নেপায় আৰু আপুনি দিবও নেলাগে। আৰু আপুনি আগ বঢ়াই আনিলে তেওঁলোকৰ অহঙ্কাৰ বেছি হব, অতএব আপুনি আগ বঢ়াব নেলাগে; মোৰ কথা অৱহেলা নকৰিব।" কেশ আতাৰ আৰু

কৌচুঙ্গিয়া মহন্তৰ কথা শুনি চতুৰ্ভুজ ঠাকুৰৰ মন পালটিল আৰু মহন্তসকলক আগ নবঢ়ালে। অৱশেষত মহন্তসকলে সকলো কথা জানিবলৈ পাই নঙ্গীৰ বাগিতে গুৰুৰ তিথি কৰিবলৈ আৰম্ভ কৰিলে। ৰতনপুৰীয়া মহন্তক পঠাই উক্ত কেশ আতাক মহন্তসকলে মতাইছিল কিন্তু কেশ আতা নাহিল। পাছে সকলো মহন্তই কেশ আতাৰ প্ৰতি বিতুষ্ট হৈ তেওঁৰ মূৰে পোহাৰ দিয়া • বাপুহৰিক মহন্ত পাতি কেশ আতাৰ ঠাইত বহিবলৈ দি বৰ বাৰেজনীয়া মহন্তৰ নিৰ্ম্মালী দি গুৰুৰ কীৰ্ত্তন সমাপন কৰিলে। এই কথা পাছত কেশ আতাই জানিবলৈ পাই চতুৰ্ভুজ ঠাকুৰৰ ওচৰত কান্দিবলৈ ধৰিলে। অৱশেষত চতুৰ্ভুজে লগৰ ভকত ১১ জনক মহন্ত পাতি কৌচুঙ্গিয়া মহন্তৰ সৈতে ১২ জন পাতি সৰু বাৰেজনীয়া নাম দিলে। পুৰুষোত্তম বৰ ঠাকুৰে পতাখিনিক ৰবাৰেজনীয়া বোলে; চতুৰ্ভুজ সৰু ঠাকুৰে পতাখিনিক সৰু বাৰেজনীয়া বোলে। ইয়াৰ মূল কাৰণ এই।

এনে স্থলত পুৰুষোত্তম ঠাকুৰদেৱে এলেঙ্গিৰ সতানন্দ বৰ ভকতক যদি মহন্ত পতাই নাই তেনেহলে ১১ জনহে ওলায়। পোহাৰ দিয়া মহন্তক পাছে পতা কথা আমি উক্ত কৰিলোঁ। এলেঙ্গিৰ অধিকাৰে, কৌচুঙ্গিয়া আৰু পোহাৰ-দিয়া এই দুইজন সহ ১২ ঘৰ মহন্ত পাতি নিজে বাহিৰ হোৱা সম্পূৰ্ণ ভুল বুলি স্বীকাৰ কৰিলেই হয়।

আৰু গোসাঁইদেৱে লেখিছে, এই বৰ বাৰেজনীয়া সত্ৰ কেইখানি বাপু-কৃষ্ণ সেৱক পাছি উজান বজাৰপৰা আনি ১২ মহন্ত পাতে। এই কথা কোনোমতেই মনে নধৰে, কাৰণ হাতী খেদাদি খেদি আনি আভকতীয়া আপবণীয়া ১২ জন মানুহক ধৰি আনি মহন্ত পতা বিশ্বাস নহয়। যিবিলাক অনেক দিন ভকত হৈ থকা, অৰ্থ পদাৰ্থ পৰমাৰ্থ এই সকলোতে বিজ্ঞ সমৰ্থ, শিষ্যৰ সংশয় মাৰি কথা কব পৰা আৰু জিতেন্দ্ৰিয় শুদ্ধাচাৰী এনে সকলক হে মহন্ত পতা মনে ধৰে। গোসাঁইদেৱে কোৱা কথা কেনেকৈ বিশ্বাস

• পোহাৰ দিয়া সত্ৰৰ অৰ্থ—বে পূৰ্ব্বে হৰি বাপুৰ মাক জোনাকী বিধৱাই কল, কৰা, কুহিয়াৰ ইত্যাদি বস্তু পোহাৰ দি বিক্ৰি কৰিছিল, তাকে ভকতসকলে কিনিছিল। মাৰ ঘৰৰ ওচৰতে এই কৰ্ম্ম কৰিছিল সেই কাৰণে পোহাৰ দিয়াৰ হৰি বাপু বোলে। এওঁৰ পূৰ্ব্বে দুৰৱস্থা আছিল, বেপাৰ কৰি জীৱিকা নিৰ্ব্বাহ কৰিছিল।



হয়। যদি প্ৰকৃতপক্ষে বাপুকৃষ্ণক পুৰুষোত্তম ঠাকুৰদেৱে মহন্ত পতা নাই আৰু বৰ বাৰেজনীয়াৰ লগত ভুক্ত কৰা নাই, তেনেহলে বৰ বাৰেজনীয়া নো কোন কেই ঘৰ এই কথা আমাক জানিবলৈ দিব আৰু তেওঁলোক কোন শ্ৰেণীৰ মহন্ত; আৰু তেওঁলোকৰ শাৰীৰ কোন কোন মহন্ত, স্পষ্ট বুজিবলৈ দিব, ছালে বাকলীয়ে নেসানিব! যেনে পৰশুৰাম দেউ উদাস আছিল আৰু বৰ বাৰেজনীয়া মহন্ত। তেওঁৰ লগত তিনিজন ভকত আছিল, তিনিজন ভকতে তিনিখন সত্ৰ পাতিলে। তিনিওজনে পৰশুৰামৰ নাতি বুলি কয়। যেনে পুনীয়াৰ পৰশুৰাম; অগ্নিফুলবাৰীৰ পৰশুৰাম। বৰ ফুলবাৰীৰ পৰশুৰাম। এইদৰে লেখিব লাগিলে ৰবাৰেজনীয়া মহন্তৰ চৰিত্ৰটি প্ৰায় দ্বাদশ স্কন্ধ ভাগৱতৰ সমান হব।

আৰু কোনো কোনোৱে কয় যে শূদ্ৰ মহন্তসকলে গোসাঁই লেখিব নেপায়। তেন্তে এলেঙ্গি মহন্তই নো কিয় গোসাঁই লেখিছে, এই বিষয় স্পষ্ট কৰি তেওঁ বাঁহীত প্ৰকাশ কৰক, যাতে কোনেও দোষ ধৰিব নোৱাৰে। লেখাৰপৰা আমি বেয়া পোৱা নাই বৰং আনন্দহে, কেৱল মাত্ৰ সাৰাংশ কথাটো ওলাব লাগে।

আউনীআটীৰপৰা জনা যায় যে চাৰি সত্ৰিয়াৰ বাজে অন্যে গোসাঁই লেখিব নেপায়। এই কথাকাকিৰ যদি কিবা কাৰণ জানে তেনেহলে বাঁহীত লেখি প্ৰকাশ কৰি সুখী কৰিব।

যিহেতু সিজন বজাৰ গুৰু, ইজন মন্ত্ৰীৰ গুৰু, তেওঁলোকে অৱশ্যে ইয়াৰ মূল অৰ্থ জানিব পাৰে। আমি এই প্ৰবন্ধটি লেখাত কোনেও দায় নিদিব, কাৰণ আমি নজনা কথাৰ মূল অৰ্থ পাবৰ কাৰণ হে লেখিলোঁ।

ৰাম ৰাম গুৰু, ভাস্কৰ, কণ্ঠভূষণ ইত্যাদি জনদিয়েকক ৺শঙ্কৰদেৱে ধৰ্ম্ম প্ৰচাৰ কৰিবলৈ আজ্ঞা দিছিল, কিন্তু মহন্ত পতা নাই হবলা। সেই কাৰণে, তেওঁবিলাকৰ নাতিবিলাকে নিজ নামত লিখা গোসাঞ, মহন্ত নিলিখি, বীজ পুৰুষৰ নামকে লিখে। যেনে, শ্ৰীলক্ষ্মীনাৰায়ণ কণ্ঠভূষণ। শ্ৰীসূৰ্য্যবসন্ত ভাস্কৰ। ইত্যাদিৰূপে লিখা আমাৰ হাতত পত্ৰাদি আছে। এনে স্থলত এলেঙ্গি মহন্ত যদি নিজে নিজে বৰ বাৰজনীয়া মহন্তৰ শাৰীৰপৰা বাহিৰ হল, আৰু পুৰুষোত্তম বৰ ঠাকুৰৰ আজ্ঞাপৰ নহয় অথচ শঙ্কৰ মাধৱৰ

আজ্ঞাপৰ বুলি কোনো পুথিত পোৱা নাযাই। মহন্তদেৱৰ পত্ৰৰ যাবাই বুজা যায়, যে, ৺শঙ্কৰদেৱে ধৰ্ম্ম প্ৰচাৰ কৰিবলৈ আজ্ঞা দিছিল। মহন্ত পতা কথা উচ্চাৰণ কৰা নাই। তেনেহলে, গোসাঞি, গোস্বামী, মহন্ত, উপাধি নিলিখি শ্ৰীভদ্ৰকান্ত, সতানন্দ, কিম্বা বৰ ভকত, ধৰ্ম্ম প্ৰচাৰক বুলি লিখিলে বেয়া নহব হবলা।

এলেঙ্গিৰ কোনো আৰু এখন সত্ৰৰ ডেকা এজনে কৈছিল—যে সতানন্দক মেধি পাতিছিল। তেনেহলে, "মেধি" উপাধি, লেখিলেও ভাল হব হবলা; যেনে শ্ৰীৰতিকান্ত মেধি। আৰু ৰতিকান্ত গোস্বামী বুলিব নালাগে নহয়নে?

আৰু গোসাঞদেৱে এটা কথা ভাবি চিন্তি চাব, সৰুৰপৰা যিসকল বৰ হৈছে, সেইসকলহে "বাহাদুৰ"। ৰজাৰ লৰা, ধনীৰ লৰা, বৰ বংশৰ লৰাক কোনে প্ৰশংসা কৰে? সামান্যৰ লৰা যদি ৰজা হব পাৰে, নিৰ্ধনীৰ লৰা যদি কোনো কাৰবাৰ কৰি ধনী হব পাৰে, সৰু মানুহৰ লৰা যদি গুণী জ্ঞানী হৈ সভ্য সমাজত উচ্চাসন পাব পাৰে, সেইজন লোকহে প্ৰসংশাৰ পাত্ৰ, তেওঁকেহে বাহাদুৰ বুলিব লাগে। সেইদৰেই দুখীয়াৰপৰা যিসকল "মহন্ত" হৈছে সেইসকলেই হে আমাৰ মনেৰে প্ৰসংশাৰ পাত্ৰ। এই কাৰণে ৺মাধৱদেৱ, ৺দামোদৰদেৱ, ৺বংশীগোপাল দেৱ প্ৰভৃতি ওপৰোক্ত কাৰণত থাকি ভয়ানক প্ৰসংশাৰ পাত্ৰ আৰু আমাৰ বন্দনীয়।

৺শঙ্কৰদেৱ ৺মাধৱদেৱ দুয়োজনে—ৰজা, পাত্ৰ, মন্ত্ৰী, ধনী, ৰাজকৰ্ম্মচাৰী ইত্যাদিবিলাকক শৰণীয়া নকৰিছিল, কাৰণ; বহুত ধন বস্তু দি তেওঁ লোকে মন বেয়া কৰিব, সিবিলাকেও শৰণ ভজন ৰাখিব নোৱাৰিব, আমাকো বেয়া কৰিব, এই নিমিত্তে শৰণ দি পইচাৰ কাৰবাৰ নকৰিছিল, এয়ে মূল কথা। শঙ্কৰদেৱৰ দিনত এইদৰেই গল। মাধৱদেৱৰ দিনতো তথৈবচ। অৱশেষত মাধৱদেৱে ১২ জন মহন্তক ধৰ্ম্মাচাৰ্য্য পাতি স্বৰ্গী হল। এই বাৰ মহন্তসকলেও ৰজা মন্ত্ৰী ইত্যাদিসকলক শৰণীয়া কৰি ধনৰ কাৰবাৰ নকৰিলে। ৰজাৰপৰাও বৃত্তিবিধান গ্ৰহণ কৰাৰ কোনো আভাস পোৱা নাযায়। উক্ত বাৰ মহন্তই যিসকলক আজ্ঞা দি পাতিলে সেইসকলৰ দিনৰপৰাহে, কেনেকৈ ধনী হব, কেনেকৈনো ডাঙৰ মানুহক শৰণীয়া কৰিম এই মহাচিন্তাই



লগ ললে। যেইজনেই ধনী, যাৰে ৰজা, মন্ত্ৰী, বৰুৱা, ফুকন শিষ্য, সেই জনেই ডাঙৰ মহন্ত, বাকিবিলাক সৰু হল। বৰ্ত্তমান কালত শাৰীৰ মহন্ত বুলি কবলৈকে কোনোসকলৰ বেয়া লগা হল। পাঠকসকলে ভাবি চাওক সম্পত্তিয়ে মানুহক কেনে ৰকম কৰে।

অসম দেশৰ ভিতৰত প্ৰথম জয় জয়তে, জয়ধ্বজ ৰজাই শৰণীয়া হৈ অনেক বৃত্তি বিধান দান কৰি ১৫৮১ শকত আউনীআটী সত্ৰ সংস্থাপন কৰে, ৰাজাজ্ঞা মতে উচ্চাসনত বহে। এই সত্ৰখনি প্ৰথমতে ডাঙৰ হয়, অন্যান্য সত্ৰবিলাক ক্ৰমে ক্ৰমে পাছে বৃত্তি বিধান পাই, মান্য মৰ্য্যাদা পাই, এই আউনীআটী সত্ৰকে দেখি অন্তবিলাকেও সম্পত্তিলৈ ইচ্ছা কৰে। অসমত আউনীআটী সত্ৰই প্ৰথমতে মান্য লাভ কৰে, এই কথা কোনেও দুই নকৰিব হবলা।

বেহেৰীয়া ৰজাই জমি বৃত্তি দিব খোজাত ৺মাধৱদেৱে এইদৰে উত্তৰ দিলে,—সন্তাৱলী চৰিত্ৰৰ পদ -

"মোৰ পিতৃ নৰ নাৰায়ণ নৃপ সন্ত। ৪৮০
তাৰ মুখে তব কথা শুনিছো পূৰ্ব্বত॥
হেন জানি মোক প্ৰভু তুমি নেঠেলিবা।
শৰণ ভজন দিয়া আমাক কিনিলা॥ ৪৮১
মাটি বাৰী দাসদাসী দ্ৰব্যাদি যতেক।
অজ্ঞা কৰা প্ৰভু মোক দিবোহো ততেক॥
মাধৱে বোলয় মাটি বাৰী দাস দাসী।
নলাগয় ধন বস্তু কহিলো প্ৰকাশি॥ ৪৮২
কৰ দিয়া ভূপতিৰ ভূমিত থাকিবো।
নিজ হাতে দাস দাসী কৰ্ম্মক কৰিবো॥
ধৰ্ম্মোত্তৰ মাটি লৈয়া যদি সত্ৰ কৰো।
ৰাজদত্ত বৃত্তি খায়া ধৰ্ম্ম পুণ্য কৰো॥ ৪৮৩
ধৰ্ম্ম কৰ্ম্ম সমস্তকে নৃপতি পাইব।
অৱশিষ্ট পাপ মাত্ৰ আমাৰ হইব॥
দেৱলীয়া সব এই কাৰণে পতিত।
এই হেতু জ্ঞানীজনে নলবে কিঞ্চিৎ॥ ৪৮৪

বৃত্তি লৈলে ভূপতিৰ অধীন হোৱয়।
কদাচ বৈষ্ণৱ সাধু অধীন নোহয়॥
আৰু নচাহিয়া বৃত্তি যি কৰে গ্ৰহণ।
ধনলোভে দিয়ে মন্ত্ৰী ৰাজাক শৰণ॥ ৫৮৫
ক্ৰমে ধন বৃদ্ধি হৈয়া হৱ অহঙ্কাৰ।
অহঙ্কাৰে ধৰ্ম্ম কৰ্ম্ম কৰে চাৰখাৰ।
ধন হৈলে মনুষ্যক বিৰূপ কৰয়॥
ৱামনক বিষ্ণাৱলী কহিয়া আছয়॥ ৫৮৬
আমাৰ কথাত যদি প্ৰত্যয় নযাহা।
—কল্পত গৈয়া বিচাৰিয়া চাহা॥
সিদ্ধ সাধু যোগী মুনি মহন্ত সন্ন্যাসী।
ঊৰ্দ্ধৰেতা গোস্বামী বৈষ্ণৱ শুক ঋষি॥ ৫৮৭
ইসব দুখীয়া বুলি জানিবা নৃপতি।
বিভূতিয়ে মনুষ্যক কৰে মন্দ মতি॥
ধনী হৈলে ধনে লিপ্ত নোহে যিতোজন।
আয় ব্যয়ে যেন থাকে জনক ৰাজন॥ ৫৮৮
লক্ষজন মধ্যে হৈয় হেন এক গুটী।
অজ্ঞ জন ধন গৰ্ব্বে হৈবে মন্দ মতি॥
ইহেতু নলাগে মোক বৃত্তি দাস দাসী।
পূৰ্ব্বেয়ো বাধিছে মোক শঙ্কৰে প্ৰকাশি॥ ৮৯
অতএৱ মহাৰাজ নলাগে কিঞ্চিত।
ক্ষমা শ্ৰদ্ধা দয়া ধৰ্ম্মে নকৰা ৱঞ্চিত॥
ভাল চক্ষে মহাৰাজ কৰিবা দৰ্শন।
এই মাত্ৰ দান দিয়া আমাক ৰাজন॥ ৫৯০
দয়া ধৰ্ম্ম শ্ৰদ্ধা ভক্তি লাগয় তোমাৰ।
আতপৰে আন দ্ৰব্য নমাগোহো আৰ॥
এহি বুলি মৌন ভৈলা মাধৱ মহন্ত।
হাস্য কৰি নৃপতিয়ে মাতিবে লৈলন্ত॥"



মাধৱদেৱ, শঙ্কৰদেৱ এওঁবিলাকে যে অকল দুখীয়া দৰিদ্ৰসকলকে ভক্তি দিছিল এনে নহয় তাৰ লগে লগে অধম জাতিকো ধৰ্ম্ম দিয়া প্ৰমাণ পোৱা যায়। যেনে, গাৰোৰ গোবিন্দ; মিকিৰৰ[১] হৰি; মিৰিৰ[২] ৰাম; যৱনৰ হৰিদাস আৰু চান্দসাই। মনদিয়াৰ আতৈ জালোৱা কৈবৰ্ত্ত। বুঢ়া-দৈৱজ্ঞ; কেওঁটৰ কমল; মালীৰ লৰা সতানন্দ; মেচৰ জয়হৰি আতৈ; কাটনীৰ বলোৰাম; ইত্যাদি বৈষ্ণৱসকল মহন্তই হল নে? মৰিয়েই চুকাল নে? ফকিৰ হৈয়ে গল নে? ইয়াৰ একো বিশেষ নাজানো, যদি কোনো লোকে ভাল কৰি জানে, আমাক জানিবলৈ দিলে বৰ কৃতজ্ঞতা স্বীকাৰ কৰিম॥

শ্ৰীদ্বাৰিকানাথ দেৱশৰ্ম্মা গোস্বামী

---

# গীত।

( সুৰ—ডি এল্ ৰায়ৰ "ঘনতমসাবৃত অম্বৰ ধৰণী" )

কি সাহেনো যাওঁ প্ৰভু আন্ধাৰেমূধাৰে,
অলোৱা বস্তি জানৰ শলাৰে।
মোহেৰে অন্ধ, মায়াৰে বন্ধ,
দুৰ্ব্বল চিয়া, লাগিছে ভয়।
চিন্তা ভাবনা, বিষাদ দৈন্য,
আছে দলে দলে বিপদ-সৈন্য,
দুখচে যাতনা, দুপূৰে বাসনা,—
লাহে লাহে আয়ু হৈছে ক্ষয়।
অলোৱা বস্তি, বজোৱা বাঁহী,
তাকে শুনি শুমি যাওঁ হাঁহি হাঁহি,—
তুমি বিশ্বস্বামী, তুমি অন্তৰ্য্যামী,—
হওঁ যেন আমি তোমাতে লয়।

শ্ৰীপদ্মধৰ চলিহা।

---

# মহাত্মা চেমুয়েল হানিমান।

হোমিওপ্যাথি উদ্ভাবনকৰ্ত্তা মহাত্মা চেমুয়েল হানিমান ১৭৫৫ খৃষ্টাব্দৰ ১০ এপ্ৰিলত জাৰ্ম্মেনি ৰাজ্যৰ চেক্সন প্ৰদেশৰ মাইচেন নগৰত এজন দুখীয়া মানুহৰ ঘৰত জন্ম গ্ৰহণ কৰে। বাপেকৰ নাম গট্‌ফ্ৰিড্ হানিমান। এওঁ যদিও এটা কাৰখানাত সামান্য চাকৰি এটা কৰিছিল তথাপিও পুতেকৰ শিক্ষালৈ একেবাৰে কাণ মন এৰি দিয়া নাছিল। এওঁৰ পুতেকৰ প্ৰতি সদায় এই উপদেশ আছিল যে "সকলো ব্যাপাৰকেই কাৰ্য্যত পৰিণত কৰা উচিত। কোনো বিষয়ত অনৰ্থক অভিমান ৰাখিব নেলাগে। কাৰ্য্যত পৰীক্ষা কৰি যিটো ভাল বুজা যায় তাকেই অনুসৰণ কৰিব লাগে।" এই হিত শিক্ষাই হানিমানক আজি সকলোৰে আগত পোহৰাই থৈছে।

প্ৰথমতে হানিমানে মাইচেনৰে কোনো এটা সামান্য পঢ়াশালিত লেখা পঢ়া আৰম্ভ কৰে। পাছত ১২ বছৰ মান বয়সত হানিমানে এই স্কুলতে লৰাবিলাকক গ্ৰীক ভাষা শিকাবলৈ ভাৰ পায়। সেই কালত প্ৰত্যেকেই স্কুল এৰিবৰ সময়ত একো একোটা প্ৰবন্ধ লেখিবৰ নিয়ম আছিল। হানিমানে নিজেই—The wonderful structure of human hand ( মানুহৰ হাতৰ আশ্চৰ্য্য নিৰ্ম্মাণ ) বুলি প্ৰবন্ধটো বাছি লৈছিল। এই বাৰ বছৰ বয়সতেই তেওঁৰ প্ৰাকৃত বিজ্ঞানত ভাল পোৱা উপজিছিল।

হানিমানৰ বাপেক উচ্চ শিক্ষাৰ বিৰোধী আছিল। তেওঁৰ দৃঢ় বিশ্বাস আছিল যে বিশ্ববিদ্যালয়ত উচ্চশিক্ষা পোৱা ডেকালৰাবোৰ প্ৰায়েই অকৰ্ম্মণ্য হয়। আৰু ইফালে তেওঁৰ অৱস্থাও বৰ ভাল নাছিল, এইবোৰ সাতে-পাঁচেই তেওঁ পুতেকক অৰ্থকৰী বিদ্যাত লগাবলৈ বাধ্য হল।

ৰাতি যেতিয়া ঘৰত সকলো শোৱে হানিমানে মনে মনে উঠি নিজহাতে তৈয়াৰী কৰা এটা মাটিৰ চাকিত মাকৰপৰা মনে মনে খুজি লৈ থোৱা তেলেৰে বত্তি লগাই নিজৰ লেখাপঢ়া কৰে। বাপেকে পুতেকৰ এনেকুৱা শিক্ষা লৈ আগ্ৰহ থকা জানিব পাৰি আন এটা পঢ়াশালিত আকৌ কুৰি বছৰ বয়সলৈকে পুতেকক পঢ়িবলৈ অনুমতি দিলে।

তাৰ পাছত ১৭৭৫ খৃষ্টাব্দত লিপ্‌জিগ বিশ্ববিদ্যালয়ৰ লগত তেওঁৰ ঘনিষ্ঠতা হবলৈ আৰম্ভ কৰিলে। বাপেকে দিয়া ২০টা থ্যালাৰ ( মুদ্ৰা বিশেষ ) আশীৰ্ব্বাদ মাত্ৰ সম্বল লৈ তেওঁ চিকিৎসা বিজ্ঞান শিকিবলৈ জৰ্ম্মানিৰ সাহিত্য বিজ্ঞানৰ মাজ ঠাই লিপজিগ অভিমুখে যাত্ৰা কৰিলে। এই সময়ত তেওঁৰ বয়স ২০ বছৰ। তেওঁ ইয়াত ৫বছৰ পঢ়িব লগা হোৱাত খৰচৰ বৰ অভাৱত পৰিছিল। এনেতে এজন চহকী গ্ৰীক লৰাক তেওঁ ফ্ৰেঞ্চ আৰু জৰ্ম্মাণ ভাষা শিক্ষা দি সেই অৰ্থ কষ্টৰপৰা কিছু পৰিমানে হাত সাৰি আছিল।

তেওঁ লিপজিগলৈ যি উদ্দেশ্যত আহিছিল সেই বিষয়ে সিমান সুবিধা নেদেখাত অষ্ট্ৰিয়ালৈ আহি ভিয়েনা নগৰৰ চিকিৎসালয়লৈ অহাযোৱা কৰিবলৈ ধৰিলে। ইয়াতে লিওপোলড্ চিকিৎসালয়ৰ ডাক্তৰ কোৱাৰিণৰ লগত তেওঁৰ বন্ধুত্ব উপজিল। কোৱাৰিণৰ অনুগ্ৰহতে তেওঁ ট্ৰান্সিলভ্যানিয়াৰ শাসনকৰ্ত্তাৰ ঘৰুৱা চিকিৎসকৰ পদ পায় আৰু তাৰ লগতে পুস্তকালয় আদিৰ তত্বাৱধায়ক ৈ২ বছৰ বৰ সুখ্যাতিৰে চিকিৎসা কাৰ্য্য কৰি আল্যাঙ্গেন নগৰৰ বিশ্ববিদ্যালয়ত পৰীক্ষা দিবলৈ তেওঁ তাৰপৰা বিদায় হয়।

১৭৭৯ খৃষ্টাব্দৰ ১০ আগষ্ট তাৰিখে তেওঁ "মৃগী ৰোগৰ কাৰণ আৰু চিকিৎসাৰ সমালোচনা" নামে প্ৰবন্ধ এটা লেখি এম, ডি, উপাধি পায়। এই সময়ত তেওঁৰ বয়স ২৪ বছৰ। এতিয়াৰপৰা তেওঁ ভালকৈয়ে চিকিৎসা ব্যৱসায়ত মন দি কাম কৰিবলৈ ধৰিলে। তেওঁ প্ৰথমে হেট্‌ষ্টাট নগৰত চিকিৎসা আৰম্ভ কৰে। ইয়াত ভাল সুবিধা নেপাই তেওঁ ডেচালৈ গল আৰু তাতেই ৰসায়ণ শাস্ত্ৰৰ আলোচনা কৰে। ইয়াতেই তেওঁৰ বিয়া হয়।

ইয়াৰ পাছৰপৰা হানিমানে অধ্যয়ন অনুবাদ আৰু কিতাপ প্ৰচাৰ কৰাত মন দিয়ে। ৰসায়ন আৰু খনিজ পদাৰ্থ-তত্ব-শিক্ষাত তেওঁ বেছিকৈ মন দিবলৈ ধৰিলে। ৰাতি টোপনি খতি কৰি স্বদেশী আৰু বিদেশী ভাষাত বহতো কিতাপ ভাষান্তৰ কৰি তেওঁ তেওঁৰ জীবিকা নিৰ্ব্বাহ কৰে। এই সময়ত বহুত বিষয়ত তেওঁ পুৰণি প্ৰথা এৰি নিয়ম বিশেষৰ সহায়েৰে ভিন ভিন ৰকমে "পাৰা" প্ৰস্তুত কৰিবলৈ ধৰে, আৰু মদ পৰীক্ষক বুলি এটা যন্ত্ৰ আবিষ্কাৰ কৰে। তাৰ পাছত জৰ্ম্মানীৰ ৰাজধানী ড্ৰেচডেনলৈ গৈ তাত

বহুত ৰকমৰ কিতাপ আদি প্ৰচাৰ কৰে। এই বছৰতে—"সুৰাসাৰ নিৰ্ম্মাণ-কাৰক আৰু ৰসায়নিক বস্তুবিলাক নিৰ্ম্মাণ কৰাৰ কৌশল" বুলি তেওঁ কিতাপ এখন লেখে। ইয়াৰ পাছৰপৰাই হানিমানৰ নাম আৰু সুখ্যাতি চাৰিউফালে বৈবৈ যাবলৈ ধৰিলে। ঠিক এই যশস্যা পোৱাৰ লগে লগে তেওঁৰ এলোপ্যাথিক চিকিৎসাৰ ওপৰত আন্তৰিক অশ্ৰদ্ধা প্ৰকাশ পাবলৈ ধৰিলে।

সেই সময়ৰ অবলম্বিত চিকিৎসা শাস্ত্ৰৰ ওপৰত তেওঁৰ দিনে দিনে অবিশ্বাস আৰু সংশয় হবলৈ ধৰিলে। হানিমানে ভ্ৰমপূৰ্ণ অনিশ্চিত চিকিৎসা প্ৰণালীক হতাদৰ কৰি চিকিৎসা কাৰ্য্যৰপৰাই অৱসৰ গ্ৰহণ কৰিলে। এইবাৰে তেওঁ নিতৌ মানুহৰপৰা নিন্দা ঠাট্টা আৰু গৰিহনা খাবলৈ ধৰিলে যদিও, তেওঁৰ—"জ্বলন্ত পাথুৰিয়া কয়লাৰ উত্তাপ ব্যৱহাৰৰ অসাধু ফল" প্ৰবন্ধ পঢ়ি সেই সময়ৰ বৈজ্ঞানিক পণ্ডিতসকলে তেওঁৰ বৈজ্ঞানিক জ্ঞানৰ পৰিচয় পাই আচৰিত আৰু মোহিত হৈছিল। তাৰ পাছত "ভিন ভিন বায়ুৰ প্ৰভাৱ" প্ৰভৃতি আৰু চাৰিখন কিতাপ তেওঁ প্ৰচাৰ কৰে। তাৰ পাছত তেওঁ আকৌ লিপজিগলৈ আহি "উপদংশ ৰোগ" নামেৰে এখন কিতাপ লেখে আৰু কুলেনৰ ভৈষজ্যতত্ত্ব জাৰ্ম্মান ভাষালৈ অনুবাদ কৰে। এই কিতাপখন অনুবাদ কৰোতেই হোমিওপ্যাথিক মূল সত্য আবিষ্কৃত হয়।

তাৰ পাছত হানিমানে ১৭৯১ খৃষ্টাব্দত "ইকনমিক্যাল সভাৰ" সভ্য পদত নিয়োজিত হৈ "ভিকতাজাতিলৈ উপদেশ" প্ৰভৃতি কেখনমান কিতাপ লেখে। তাৰ পিছ বছৰত তেওঁ "থাৰেঞ্জীয়ান ফৰেষ্ট"ৰ অন্তৰ্গত জাৰ্জেন্থালৰ পগলা কাটেকৰ কৰ্ত্তৃত্ব তাৰ পায় আৰু এয়েই প্ৰথমে বলিয়াবিলাকক আৰোগ্য কৰা তেতিয়াৰ পাশবিক প্ৰণালীবোৰৰ সংস্কাৰক হয়। কোনো বিশেষ কাৰণত তেওঁ তাত বেছি দিন নাথাকি ওৱালচেল বেনলৈ গৈ "স্বাস্থ্য মিত্ৰ" আৰু "দ্ৰব্যাভিধান" কিতাপ ৰচনা কৰে। তাৰপাছৰ বছৰত আকৌ তেওঁ "ককেন্ ব্ৰিওৰ আৰোগ্য প্ৰণালী" বুলি কেটামান সাৰুৱা প্ৰবন্ধ গোটাই লৈ এখন কিতাপ প্ৰচাৰ কৰি প্ৰায় মানুহৰ মনকেই অধিকাৰ কৰি ললে।

১৮০০ খৃষ্টাব্দত জাৰ্ম্মান প্ৰদেশত বৰ বেছি ৰকমে আৰক্ত জ্বৰৰ প্ৰাদুৰ্ভাৱ হোৱাত হানিমানে একমাত্ৰ "বেলাডনা"কেই সেই জ্বৰৰ প্ৰতিষেধক বুলি প্ৰচাৰ কৰি কেউফালে জাননী দিলে। ইয়াতেই তেওঁৰ বিপক্ষৰ মানুহ-বিলাকে চল পাই ৰাজদুৱাৰত তেওঁৰ ওপৰত নালিচ কৰু্ কৰিলে। হানিমানৰ কপাল বেয়া আছিল, তেওঁ নিজক নিৰ্দ্দোষ প্ৰমাণ কৰিও স্বাৰ্থপৰবিলাকৰ হাত সাৰিব নোৱাৰিলে ; অগত্যা সেই দেশ এৰিবলৈকে বাধ্য হল। তেওঁ দেশ এৰিলে কিন্তু আজিও সেই দেশত "বেলাডনা" আৰক্ত জ্বৰৰ প্ৰতিষেধক হৈ আছে!



হানিমানে তাৰপৰা ওলাই হম্বৰ্গ প্ৰদেশলৈ যাত্ৰা কৰিলে। বাটত এটা বৰ দুৰ্ঘটনা ঘটে। গাড়ী বাগৰি পৰাত তেওঁৰ ল'ৰা এটি মৰা পৰে, ছোৱালী এজনীৰ ভৰি ভাগে, বস্তুবেহানিবোৰ নষ্ট হয় আৰু নিজেও সাংঘাতিক আঘাত পায়। অগত্যা তেওঁ ছোৱালীজনীৰ ভৰি ভাল নহয় মানে ১।০ মাহমান বাটতে গাওঁ এখনত থাকিবলৈ বাধ্য হয়। শেষত হম্বৰ্গেদি আলটোনালৈ যায়। তাৰ পাছত তেওঁ এলেনবৰ্গ আৰু মোচাৰণ ভ্ৰমণ কৰি স্বদেশলৈ যাবলৈ মন কৰিলে। মোচাৰণত থকাৰ সময়ত এওঁৰ বৰ অৰ্থকষ্ট হয়। দিনত ছাপাখানাৰ উপযোগী কিতাপ লেখা আৰু ৰাতি ঘৈণীয়েকৰে সৈতে মৈলা কাপোৰ নিকা কৰা এই দুটা কামহে সেই কেদিনলৈ তেওঁৰ নিত্যকৰ্ম্ম হৈছিল।

ক্ৰমশঃ—

এম. মোছলেহউদ্দিন আহমদ।

---

# অসমীয়া ন-লিখাৰুৰ মহাবিদ্যা।

দুজন নতুন লিখকে দুটা বঙলা প্ৰবন্ধ অসমীয়ালৈ ভাঙি আমাৰ মাহেকীয় কাকতত প্ৰকাশ কৰিছে। প্ৰথমটো, পঞ্চম বছৰৰ তৃতীয় সংখ্যা "বাঁহীত" ওলোৱা "ফৈজ্জীবেগম"। দ্বিতীয়টো, পঞ্চম বছৰৰ দ্বাদশ সংখ্যা "আলোচনীত" ওলোৱা "গুৰুশিষ্যৰ সম্বন্ধ"।—"ফৈজ্জী বেগম" প্ৰবন্ধ প্ৰথম বছৰৰ পঞ্চম সংখ্যা "অৱসৰ"ত ওলোৱা "ফৈজ্জী বেগম" প্ৰবন্ধৰ অনুবাদ (১৩৯ পৃষ্ঠা), আৰু "গুৰুশিষ্যৰ সম্বন্ধ" শ্ৰীযুত চন্দ্ৰোদয় বিদ্যাবিনোদৰ

"সুনীতি সন্দৰ্ভ"ৰ পৰা অনা (৮৪ পৃষ্ঠা)। অনুবাদ কৰোঁতা দুজনে প্ৰত্যেক শাৰীৰে অনুবাদ কৰিছে, এশাৰীও বাদ পৰা নাই। কিন্তু এই বিধৰ উত্তম বিফল আৰু এই অভ্যাস নিতান্ত দূষণীয়।

শ্ৰীকৃষ্ণকান্ত সন্দিকৈ।

---

## চিঠিৰ সন্দেহ।

গত কাতিৰ বাঁহীত বৰ এলেঙ্গিৰ শ্ৰীযুত ভদ্ৰকান্ত গোস্বামীয়ে তেখেতৰ বংশাৱলী "লেখা ভুল" বোলা চিঠিখনি বাঁহীত দেখি মনত অলপ সন্দেহ হল।

৺শ্ৰীশ্ৰীশঙ্কৰদেৱৰ চৰিত্ৰ প্ৰধান তিনিখনি, এখন ৰামচৰণ ঠাকুৰ কৃত, এখন দৈত্যাৰি ঠাকুৰ কৃত, এখন ৰামানন্দ ঠাকুৰ কৃত, এই তিনিখনিত ৺সতানন্দক ধৰ্ম্মৰ আচাৰ্য্য পাতি বৰ এলেঙ্গিসত্ৰত শ্ৰীশঙ্কৰে পতা আমি পোৱা নাই। শ্ৰীশঙ্কৰে পতা ধৰ্ম্মাচাৰ্য্য ৭ জনৰ ভিতৰতো সতানন্দৰ নাম নাই। আনকি শঙ্কৰদেৱৰ মুখ্য ভকতসকলৰ ভিতৰতো সতানন্দৰ নাম নাই। এতেকে শোধোঁ, কোন চৰিত্ৰখনত নো শঙ্কৰদেৱে সতানন্দক ধৰ্ম্মৰ আচাৰ্য্য পাতি আজ্ঞা কৰিলে? আমাৰ মতে ৺ৰাপুৰুষৰপৰাহে এলেঙ্গিসত্ৰ হয়, যদিও ৺ৰাপুৰুষৰ বাপেক ৺সতানন্দ হয়, তথাপি সতানন্দক শঙ্কৰে আজ্ঞা কৰা পোৱা নাই। এতেকে ওপৰুক্ত তিনিখন চৰিত্ৰৰ কোনখন চৰিত্ৰত কেই পাতৰ কোন পদত এই কথা লেখা আছে আমাক ভালকৈ বুজাই দি এলেঙ্গিসত্ৰখনি অতীজতে শঙ্কৰে পতা বুলি আমি নজনাবোৰক জনাই দিব যেন।

আমাৰ হাতত থকা চৰিত্ৰ বংশাৱলী ইত্যাদি মতে এলেঙ্গি সত্ৰখন বৰ বাৰেজনীয়া, পুৰুষোত্তম ঠাকুৰে পতা বুলি আমি চৰিত্ৰত পাইছোঁ। যদি সেয়ে নহয় তেন্তে আমাৰ হাতত থকা চৰিত্ৰবোৰ ভুল, আৰু আপোনাৰ কৃত "শঙ্কৰ মাধৱদেৱ"ত লেখা যে তেনেই ভুল। এতেকে আমি শোধোঁ— এলেঙ্গি সত্ৰখন যদি বৰ বাৰেজনীয়া আৰু ঠাকুৰৰ আজ্ঞা পোৱা নহয় তেন্তে নো কোন শাৰীৰ সত্ৰ? তাৰাসকলক নিগালি দি অধিকাৰ কোনে পাতে? তেওঁলোকৰ শাৰীত কোন বহে? তাৰাসকলে চামগুৰি, নৰোৱা, কোৱামৰা, ইসকলত শৰণ ভজন বস্তুকাৰণ লয়নে নলয়? সতানন্দক আজ্ঞা কৰা চৰিত্ৰখন কাৰ দ্বাৰাই ৰচিত? এই কথা বিশেষকৈ লেখি আমাৰ সন্দেহ দূৰ কৰিব।

শ্ৰীযুত ভদ্ৰকান্ত গোস্বামীয়ে লেখা মতেই সত্য নে? এই কথাষাৰ চামগুৰি, নৰোৱা, কোৱামৰা, দীঘলিৰ আতাসকলে সত্য বুলি স্বীকাৰ কৰিছে নে? বৰ বাৰেজনীয়া, পুৰুষোত্তম ঠাকুৰৰ আজ্ঞা পোৱা বেজেনা-আটিৰ সত্ৰৰ অধিকাৰ, চুপহাৰ সত্ৰৰ অধিকাৰ এইসকলেও সেই কথাকে সত্য মানিছে নে? আমাৰ এই বিষয় বাদানুবাদৰ অৰ্থে নহয়, কেৱল প্ৰকৃত কথা জানিবৰ কাৰণে হে শোধা হল।

শ্ৰীতীৰ্থনাথ গোস্বামী। (ধলৰ সত্ৰ)

---



## বুৰঞ্জীৰ বিবিধ বাতৰি।

১

মহাৰজা শিৱসিংহৰ তিনিজনা মহাৰাণীৰ একনা আছিল—ফুলেশ্বৰী। তেওঁৰ আন এটা নাম প্ৰমথেশ্বৰী আছিল। মিষ্টৰ গেইট আৰু শ্ৰীযুত পদ্মনাথ বৰুৱাই তেওঁলোকৰ বুৰঞ্জীত তেওঁক প্ৰমত্তেশ্বৰী বুলি নামকৰণ কৰিছে। কিন্তু সেইটো তেওঁলোকৰ ভুল। তেওঁৰ নাম প্ৰমথেশ্বৰীহে আছিল—প্ৰমত্তেশ্বৰী নাছিল। মহাৰাণীৰ ৰাজত্বত মৰোৱা কপত আমি প্ৰমথেশ্বৰী নামহে দেখিবলৈ পাইছোঁ। বুৰঞ্জীবিজ্ঞ ৰায় গুণাভিৰাম বৰুৱা বাহাদুৰেও প্ৰমথেশ্বৰী নাম লিখি গৈছে।

জ্যোতিষীয়া পণ্ডিতসকলে স্বৰ্গদেৱৰ ছত্ৰভঙ্গ যোগ পৰিছে বুলি কোৱাত শিৱসিংহ মহাৰজাই ৰাজ্যভাৰ এৰি দিয়াত প্ৰমথেশ্বৰীক বৰ ৰজা নাম দি

ৰাজ্যভাৰ দিয়া হল। প্ৰমথেশ্বৰী মহাৰাণী হৈ ৰবচৰাত সিংহাসনত বহিছিল, লগত স্বৰ্গদেৱো থাকিছিল। ৰায় গুণাভিৰাম বৰুৱা বাহাদুৰে লিখি গৈছে যে, বামুণবিলাকৰ বিদ্যাশিক্ষাৰ নিমিত্তে মহাৰাণীয়ে বৰ যত্ন কৰিছিল। সেই উদ্দেশ্যৰেই তেওঁ ৰংপুৰত 'বৰ ৰজাৰ পঢ়াশালি' নামেৰে পঢ়াশালি এখন পতাই দিছিল। 'যি ব্ৰাহ্মণে পূজাৰ গায়ত্ৰীয় অনুষ্ঠান ভালকৈ নেজানিছিল, তেওঁক তাৰ পূজাঘৰলৈ সোমাবলৈ আজ্ঞা নিদিছিল'।

মহাৰাণী প্ৰমথেশ্বৰী ঘোৰ শাক্ত আছিল। ১৭১৬ খৃষ্টাব্দত তেওঁ দুৰ্গোৎসৱ পূজা পাতি শূদ্ৰ মহন্তবিলাকক তালৈ নিমন্ত্ৰণ কৰালে। মহন্তবিলাক বৈষ্ণৱ আছিল আৰু তেওঁবিলাকে গোসাঁনী নেমানিছিল। সেইবাবে মহাৰাণীয়ে বৰ অসন্তোষ পাইছিল আৰু তেওঁবিলাকক এশিকনি দিবৰ ফন্দি পাতিছিল। তেওঁ নিমন্ত্ৰিত মহন্তবিলাকৰ কপালত বলিকটা মহ ছাগলীৰ তেজৰ ফোঁট দিয়ালে, আৰু সকলোকে গোঁসানী-সেৱা কৰাই গোঁসানীৰ প্ৰসাদ কটিয়াই নগুৰনাগুৰ কৰালে। এই কাৰ্য্যত সকলোৱে বিশেষকৈ মোৱামৰীয়া মহন্তই মৰণান্তিক বেজাৰ পালে আৰু তলে তলে ইয়াৰ প্ৰতিশোধ লবৰ উপায় পাঙিবলৈ ধৰিলে। ইয়াৰ ফলস্বৰূপে ১৭৭০ খৃষ্টাব্দত মোৱামৰীয়া বিদ্ৰোহ জ্বলি উঠে। ১৭১৭ খৃষ্টাব্দত প্ৰমথেশ্বৰী স্বৰ্গী হয়।

২

সংৰাম চন্দ্ৰকান্ত সিংহৰ বৰ চেনেহৰ পাত্ৰ আছিল। ১৭৩৫ শকত পূৰ্ণানন্দ বুঢ়া গোঁহাই ডাঙৰীয়াই দুৰ্গোৎসৱ পূজাত পিন্ধিবলৈ স্বৰ্গদেৱক কিংখাপৰ চোলা এটা দিছিল। ডাঙৰীয়াই নিজহাতেৰে সেই চোলাটো সীচিল। স্বৰ্গদেৱে সংৰামক সেই চোলাটো দি দিলে। গোসাঁনী-সেৱা কৰিবলৈ গধূলি সময়ত স্বৰ্গদেৱ আহিবৰ কথা আছিল; কিন্তু স্বৰ্গদেৱ নাহিল। স্বৰ্গদেৱ আহিব খোজা সময়তে সেই চোলা পিন্ধি সংৰাম পূজা চাবলৈ আহিল। ৰজা আহিছে বুলি ভাবি উৎকণ্ঠিত ভাবেৰে সকলো থিয় দি ৰল। বুঢ়া গোঁহাই ডাঙৰীয়াই হেনো আঠুকে লৰ খুজিছিল। পিছে, ওচৰ চাপিলতহে সংৰাম বুলি সকলোৱে চিনি পালে আৰু তেতিয়াহে সকলোৰে ভ্ৰম ভাগিল।



৩

বদনচন্দ্ৰক মান-অনা বৰফুকন বোলে। তেওঁৰ বিষয়ে এটি অলৌকিক জনপ্ৰবাদ শুনিবলৈ পোৱা যায়। তেওঁৰ হাতত হেনো কেইটামান বিৰী আছিল। সেই বিৰী থকাত তেওঁক হেনো কোনেও কোনো উপায়েৰে বধ কৰিব নোৱাৰে। ৰায় গুণাভিৰাম বৰুৱা বাহাদুৰে লিখিছে--"এনে প্ৰবাদ আছে বোলে বৰফুকন ইমান কষ্টতো কেনেকৈ জীয়াই থাকিল, ই বিষয় তেওঁক ৰাজমাতৃ দেৱতাই প্ৰশ্ন কৰাত" বৰফুকনে সেই উত্তৰ দিছিল। তেনেহলে তেওঁ নিশ্চয় আত্মৰক্ষাৰ নিমিত্তেহে সেই কথা প্ৰকাশ কৰিছিল।

ৰূপচিং নামেৰে ভোজপুৰীয়া হিন্দুস্থানী চিপাহী এটাই বৰফুকনক বধ কৰে। ৰূপচিং পোন-প্ৰথমতে সেই কাৰ্য্য কৰিবলৈ মান্তি নহৈছিল। পিছত, বিষয়াডাঙৰীয়াসকলে কলত আৰু সেই কাৰ্য্যত স্বৰ্গদেৱৰো মত বুলি কোৱালত, ৰাজমাওদেৱৰ কৌশলত ৰূপচিঙে বৰফুকনক পিছদিনা বধ কৰিলে। তেতিয়া ৰতিপুৱা বৰফুকন শৌচ কৰিবলৈ গৈছিল। বিৰী আৰু তৰোৱাল তেওঁ এখন শৰাইত থৈ গৈছিল।—কোনোৱে কয় ঘৰত, কোনোৱে কয় পুখুৰীৰ পাৰত। ৰূপচিং গৈ সেই ঠাইত উপস্থিত হল। বৰফুকনে তাক দেখা পাই অহাৰ কাৰণ সোধাত সি তেওঁক চেলাম দিবলৈ আহিছে বুলি কলে। বৰফুকনে তাৰ কথাত আশঙ্কা কৰি সেই বিৰী আৰু তৰোৱাল লব খোজোঁতেই ৰূপচিঙে হেনো সেই তৰোৱালেৰেই তেওঁক কাটিলে।

কোনো-কোনোৰ মতে ৰূপচিঙে নিজেই কাপোৰৰ তলত তৰোৱাল এখন লুকাই লৈ গৈছিল। বুৰঞ্জীয়েও তাকে কয়।

৪

গেন্ধেলা ৰাজখোৱাক কলীয়াভোমোৰা বৰফুকন বুলিছিল। তেওঁ যে দেখিবলৈ আপচু আছিল--সেইটো এই দুই নামৰপৰা বেছকৈ বুজিব পাৰি। কিন্তু তেওঁৰ ফটা-কপাত সোণ থকাৰদৰে অনেক মহৎ গুণ আছিল। ডুমডুমীয়া বিদ্ৰোহ দমন কৰি তেওঁ কমলেশ্বৰ সিংহ স্বৰ্গদেৱৰপৰা প্ৰতাপবল্লভ নাম পাইছিল। তেওঁ তেজপুৰৰ পূবে ভোমোৰাগুৰি পৰ্ব্বতৰপৰা শিলঘাটৰ ফালে গোনাই ব্ৰহ্মপুত্ৰৰ ওপৰেদি এখন শাঁকো বন্ধাবলৈ

এটি মহৎ অনুষ্ঠান কৰিছিল। কিন্তু তেওঁৰ সেই অনুষ্ঠান কাৰ্য্যত পৰিণত হবলৈ নৌ পাওঁতেই তেওঁ মৃত্যুৰ শৰাহত পৰিল। তেওঁ ন-গোসাঁইত শৰণ লৈছিল। তেওঁ দেৱাগাৰৰ ন-গোসাঁই এজনৰ ঘৰত শৰণ লওঁতে তেওঁ দিয়া পিতলৰ ৰূপ-খটোৱা গৰুড়াসন এখন আজিলৈকে আছে। আসনখনত গৰুওই পিছলৈ পাখী মেলি আছে। আসনখন ডেৰহাতমান ওখ আৰু বৰ মধুৰ।—এটা মানুহে কথমপি দাঙিব পাৰেহে।

বৰফুকনৰ মহিষীৰ নাম বাওলী আইদেউ আছিল। বাওলী আইদেউৰ বৰণ তেজগোৰা আছিল আৰু তেওঁৰ গা-গাৰী বৰ শকত আছিল। ইংৰাজৰ ৰাজত্বত তেওঁক চিনাতলী আৰু আহোমগাঁও মৌজা দিয়া হৈছিল। স্বৰ্গী হলত তেওঁৰ স্বামী বৰফুকনৰ মৈদামৰ ওচৰতে তেওঁক কবৰ দিয়া হল। বৰফুকনৰ মৈদাম বন্ধাই দিয়া হৈছিল, কিন্তু তেওঁৰ মৈদাম বন্ধাবলৈ নহল। তথাপিও, তেওঁক কবৰ দিয়া ঠাইতে উইয়ে মৈদামৰ দৰে বৰফুকনৰ মৈদামতকৈয়ে ওখকৈ ডেটি তুলি দিলে। গোলাঘাটৰ অন্তৰ্গত আহোম-গাঁও মৌজাত ঘৰৰ মুধমান ওখ সেই মৈদাম আৰু উই-হাফলু এতিয়াও দেখিবলৈ পোৱা যায়।

শ্ৰীলক্ষীনাথ ফুকন।

---

## দুৰাকাঙ্ক্ষা।

অসীম অনন্ত যুগ অবিৰাম কালৰ বাঁতিত
জীৱনৰ সুৰ ধৰি কত উৰ্ম্মি হইছে পতিত।
কাৰো সেই চিন এটি হয়গই অনন্ত গভীৰ,
কাৰো বা মুহূৰ্ত্তে চিন, কাৰো ক্ষণে অদৃশ্য অথিৰ।
চিনৰ আৰত সেই কেতিয়াবা বৰ নে কি থাকা,
একেটি ৰূপৰ কান্তি ক্ষীণপ্ৰভা ক্ষীণতম ৰেখা,
হিয়াৰ মাজৰ মোৰ অহৰ্নিশি আকুলতাময়
নিগূঢ় সঙ্গীতপূৰ্ণ ক্ষুদ্ৰ লহৰীৰ জয়?

শ্ৰীজিলি।